





## • ভিন্ন চেতনা ভিন্ন প্ৰসংগ ঃ


- নিষিদ্ধ দুই বৰ্ণিল শিল্পীৰ সৃষ্টিকৰ্মৰ নিন্দা আৰু বন্দনা/ ড° কমলেশ্বৰ ঠাকুৰীয়া/৫৯
- ছাৰমেৰিন আৰু অৰিহন্ত ঃ ভাৰতৰ প্ৰথম পাৰমাণৱিক ছাৰমেৰিন/পবিত্ৰ কৈবৰ্ত/৬৩
- ৰহস্যময়ী পৃথিৱী আৰু মানুহ/বাদেশ্বৰ বড়ো/৬৭
- আঠ মাহজোৰা যাত্ৰাৰ অন্তত সৌৰজগতৰ ৰঙা গ্ৰহত নামিল নাছাৰ ৰ'ভাৰ/ছহিদুল ইছলাম/৬৯
- বিগত শতাব্দীৰ অন্যতম শ্ৰেষ্ঠ গায়ক বব ডিলান/ ৰংগৰাজ ভাগৱতী/৭০
- অতীতক নাযাবা পাহৰি/খগেন বায়ন/৭২
- শালীনতা/সঞ্জয় মেধি/৭৪
- সুখৰ সন্ধানত/বিদ্যুত কলিতা/৭৫
- বানপানী/গণেশ বৰ্মন/৭৬
- কোকিলকণ্ঠী গায়িকা দীপালী বৰঠাকুৰ ঃ সুখ-দুখৰ একা- বেঁকা পথেদি/শিখাৰাণী ডেকা, মণিকা দাস/৭৮
- অন্তৰংগ আলাপ/ড° প্ৰাণেশ্বৰ নাথ, অমৰজ্যোতি স্বৰ্গীয়াৰী/৮০
- শোভা ব্ৰহ্ম ঃ ৰং-তুলিকাৰ মানুহজন/মমতাজ বেগম/৮২
- বন্ধুত্ব/নবদ্বীপ ৰাভা/৮৪
- যান্ত্ৰিক জীৱন/পংকজ সৰ্দাৰ/৮৪
- ভৱিষ্যতে আনিব সুখ/ঋতুপৰ্ণ দাস/৮৫
- মিউজিক থেৰাপীৰ উপকাৰিতা/সৌৰভ ৰাভা/৮৫
- অন্তহীন বেদনাৰ এক সময়/দিগন্ত কুমাৰ দাস/৮৬
- লণ্ডন অলিম্পিকত পদক বিজয়ী ভাৰতীয়/চম্পা পাইন/৮৭
- জীৱন! জীৱন বৰ অনুপম..../অৰ্চনা মহন্ত/৮৯
- সংঘৰ্ষ/সঞ্জয় মেধি/৯১
- শান্তি আৰু সংঘৰ্ষ/বিনোদ শৰ্মা/৯১
- হায় মানৱতা!/ধৃতিমা শৰ্মা/৯১
- E=mc² ভুল নেকি/মানৱ কলিতা/৯২
- আটাইতকৈ পৰিষ্কাৰ গাঁওখনত এভুমুকি/জয়শ্ৰী ভূএগ/৯৩
- প্ৰকৃতি সুৰক্ষা, পৰিবেশ প্ৰেম.../প্ৰণৱ কলিতা/৯৬
- পৰিবেশ সম্পৰ্কীয় আইন আৰু গোলকীয় উত্তাপীকৰণ/ দিগুজয় ৰাভা/৯৭
- দুৰ্নীতি ক'ত আৰু কেনেকৈ? —এটি চমু অৱলোকন/ সৰোজনী ৰাভা/১০৩
- একাংকিকা নাট ঃ মা/পৰিস্মিতা দাস/১১৪










## ENGLISH SECTION : 121-150


- Brick Industry and Its Impacts/ Surabhi Rabha/১২১
- Melody-Queen Lata Mangeshkar/ Labnya Kumari/১২৫
- The River of Beckons/U. C. Kar/১২৭
- Summary of the thesis : Flow of Non-newtonian fluids/Dr. Alok Das/১২৯
- Mathematical Logic/Dr. Dipankar Sarma/১৩১
- London Olympics - game for the entire planet/ Silpa Sarkar/১৩৫
- The Latest Discovered Particle HIGGS BOSON or GOD Particle/Dr. Ranjit Baishya/১৩৮
- Sonnet : I can not Stay More/Digambar Basumatary/১৪১
- Some Amazing Facts/Boronya R. Marak/১৪১
- Gloomy Life/John Gautam Rabha/১৪২
- Lincoln's Letter to his Son's Headmaster/ Collected by : Raju Boro/১৪৩
- A brief report of the NSS Activities of the college at a glance/Umesh Ch. Kar/১৪৬
- Jawaharlal Nehru College, Boko : A brief Outline/Dr. Nripen Goswami/১৪৭


## BODO SECTION : 151-160

रायथाइ :


- बर'फोरनि समाजारि नेमखान्थि आरो आयेन/Bhairabi Boro/১৫১
- बर'फोरनि खुगा थुनलाइ/Amarjyoti Swargiary/১৫৩
- बर' खुगा थुनलाइ/Miss Kankana Boro/১৫৬
- सोलोंथाइ आरो फोरोंगुरु/Bardwi Boro/১৫৮


खान्थाय :




- हास्थायनाय/Jyotshna Dwimari/১৫৯
- सिमांश्री/Jyotshna Dwimari/১৫৯
- सिमां/Miss Bardwi Boro/১৬০
- नोंखौ नेनानै/Bardwi Boro/১৬০
- लामा आन्दायनाय दाउ/Gosai Boro/১৬০


## INNER SECTION : 161-182


- Report of Secretary of Union Body/১৬১-১৬৮
- Results/১৬৯-১৭৪
- Appendix/১৭৫-১৮২



কৰ্মব্যস্ত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
ড° নৃপেন গোস্বামী

# কৃতজ্ঞতা স্বীকাৰ

সহযোগিতাই জীৱন। যি কোনো কামতে আনৰ সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ অবিহনে সফলতা অৰ্জন কৰা সম্ভৱ নহয়। 'জৰাহৰজ্যোতি'ৰ এই সংখ্যাটিৰ প্ৰতিটো খোজতে নানান ধৰণে দিহা-পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সম্পাদনা সমিতিৰ সভাপতি ড° নৃপেন গোস্বামীদেৱ, উপাধ্যক্ষ মঃ মজিবৰ ৰহমানদেৱ, মুক্তিযোদ্ধা কাতিৰাম ৰাভাদেৱ, বিশিষ্ট সমাজসেৱী খগেন বায়নদেৱ, প্ৰাক্তন অধ্যক্ষ বসন্ত কুমাৰ দত্তদেৱ, বন বিষয়া প্ৰহ্লাদ বড়োদেৱ, সমাজ সেৱক বাণেশ্বৰ বড়োদেৱ, তত্ত্বাৱধায়ক ড° প্ৰাণেশ্বৰ নাথদেৱ, বিজয়া ডেকা বাইদেউ, ড° কমলেশ্বৰ ঠাকুৰীয়াদেৱ, ড° ললিত চন্দ্ৰ ৰাভাদেৱ, জ্যোতিষ বসুমতাৰীদেৱ, গণেশ বৰ্মনদেৱ, অংশুমা খুংগুৰ বড়োচাদেৱলৈ কৃতজ্ঞতা নিৱেদন কৰিলোঁ।

যিসকল পূজনীয় শিক্ষাগুৰু তথা মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ লিখনিয়ে এই সংখ্যাৰ শোভাবৰ্ধন কৰিলে, তেওঁলোকলৈও কৃতজ্ঞতা যাচিলোঁ।

বেটুপাতৰ শিল্পী গোলক দাস, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ, শ্ৰীবিষ্ণু অফছেট প্ৰেছৰ স্বত্বাধিকাৰী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সকলো সময়তে উৎসাহ যোগোৱা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ ঋণী হৈ ৰ'লোঁ।

অনভিজ্ঞতা আৰু অজ্ঞতাৰ হেতু বৈ যোৱা ভুলৰ বাবে সদৌটিলৈ ক্ষমা ভিক্ষা মাগিলোঁ।

—সম্পাদক

# সম্পাদকীয়

## সম্পাদকৰ কলম.........
সম্পাদকৰ কলম.........



সময়ৰ গতিত ৰূপান্তৰ............। সময়ৰ গতিত উন্নতি, সংস্কাৰ। সময়ৰ গতিত........ আজি বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনে ১৯৬৪ ইং চনত জন্ম লৈ বৰ্তমানে ৪৯ বছৰত খোজ দিলেহি। সেই দিনৰেপৰা মহাবিদ্যালয়খনে জ্ঞানৰ পোহৰ বিলাই আহিছে আৰু আজিও জ্ঞানৰ বন্তিৰে জ্ঞান বিলাবলৈ ঠন ধৰি আছে। সংমিশ্ৰিত জনগাঁথনিৰে একতাৰ বান্ধোনত সুৰ মিলাই জ্ঞানলিপ্সু, উন্নতিপিপাসু, শুভাকাংক্ষী অঞ্চলবাসী ৰাইজে সহায়-সহযোগ, ত্যাগ আৰু অশেষ চেষ্টাৰে 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়'খন গঢ়ি তুলিছিল। সময়ৰ গতিত সেই চিৰ নমস্য, পূজনীয় আৰু শ্ৰদ্ধাভাজন ব্যক্তিসকলৰ কিছুমান মৃত্যুৰ কৰাল গ্ৰাসত হেৰাই গ'ল। থাকি গ'ল তেওঁলোকৰ মচি পেলাব নোৱাৰা স্মৰণীয় সঁচা স্মৃতি। তেওঁলোকৰ আত্মাই শান্তিৰ কোলাত আলফুলে আশ্ৰয় লওক- এয়া আমাৰ কামনা। লগতে আজি যিসকলে মহাবিদ্যালয়ৰ সৈতে জড়িত হৈ আমাৰ মাজত থাকি আমাক জ্ঞানৰ পোহৰ উজ্জ্বল কৰি তোলাত সহায়-সহযোগিতা আগবঢ়াইছে, তেওঁলোকৰ দীৰ্ঘায়ুৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। আজি আমি তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

শিক্ষাৰ কোনো পৰিধি নাই। অতীতৰপৰা জ্ঞানী পণ্ডিতসকলে শিক্ষাৰ বিশ্লেষণ বিভিন্ন প্ৰকাৰে ব্যাখ্যা কৰি আহিছে যদিও সুশিক্ষা লাভ কৰি এজন সৎ নাগৰিক হিচাপে গঢ় দিয়া অতি গুৰুত্বপূৰ্ণ। সেয়ে প্ৰত্যেক ব্যক্তি বা জাতিৰ উন্নতিৰ বাবে সৎ শিক্ষা আৱশ্যক। অৱশ্যে, শিক্ষাৰ নীতিমতে পাঠ্যক্ৰম অনুসৰি শিক্ষা ল'লেই সেইটো সম্পূৰ্ণ হৈ নুঠে। আধ্যাত্মিক বা পাৰমাৰ্থিক জ্ঞান শিক্ষাৰ বিপৰীতে কেৱল জড় শিক্ষাৰ বাবেই সম্ভৱতঃ সেইটো পূৰ্ণ হৈ নুঠে বুলি ঠাৱৰিব পাৰি। শিক্ষা প্ৰদানত ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ যিবোৰ ভূমিকা আছে, তাকো এৰাই চলিব পৰা বিধৰ নহয়। শিক্ষাৰ মান শিক্ষকৰ উপযুক্ততাৰ ওপৰতো নিৰ্ভৰশীল। পিছে আজিকালি শিক্ষক চুক্তি, বিদ্যা মুক্তিহে বিদ্যমান। 'বিদ্যা চুক্তি, শিক্ষক মুক্তি' যেন হেৰাই গৈছে। ইয়াৰোপৰি আন আন বিকৃত আৰ্থিক সামাজিক অসুস্থতা আদিৰ লগত সংকীৰ্ণতাৰে ভৰা, মৌলিকতাহীন বিচ্ছিন্নতা, জাতীয়তাবোধ সজাগ হৈ আছে। তেনে ক্ষেত্ৰত মহাবিদ্যালয় এখনে সুবিধা প্ৰদান কৰা মহাবিদ্যালয়খনৰ ঘৰ, সা-সুঁজলি, নিয়মানুৱৰ্তিতা আদিৰ ওপৰতো যেনেদৰে নিৰ্ভৰ কৰে, অতি পিছপৰা অঞ্চলৰ এই জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনে কিমান উন্নতি কৰিব পাৰিছে বা নাই, সেয়া বৰ্তমানেই প্ৰমাণ।

বৰ্তমান, অতীত আৰু ভৱিষ্যৎ মানৱৰ বাবে স্বতঃস্ফূৰ্ত অপৰিহাৰ্য অংগ। অতীতৰ স্মৰণীয় ঘটনা বুৰঞ্জীত পৰিণত হ'ল। তথাপি অতীত অধ্যায়বোৰৰ মুকুট পৰিধান কৰি, শিক্ষা লাভ কৰি আৰু গঢ় দি বৰ্তমানে জীয়াই থকা সময়টোক অতীতৰ মুহূৰ্তই সপোন যেন সুখী কৰি তোলে। তেনেদৰেই ভৱিষ্যৎ অলীক কল্পনা পৰীৰ সাধু, ৰমণীয়। কিন্তু ই কাল্পনিক বিষয়হে আৰু আমি এই কাল্পনিক বিষয়বোৰ লৈ জীয়াই থাকিব নোৱাৰোঁ।

সেয়াই সময়ৰ ক্ৰৰ আঁচোৰ। বৰ্তমানেই আজিৰ জীৱনৰ এটি সঁচা বাস্তৱ। আজিৰ বসন্তৰ এই মনোমোহা সৌন্দৰ্য বাস্তৱ পৃথিৱীৰ চাৰিওপিনে চিৰ সেউজ ৰং। ফুলনিৰ ফুল, গছ-গছনি, তৰু-লতাবোৰ কোমল কুঁহিপাতেৰে প্ৰকৃতিৰ বেশভূষা, কুলি চৰাইৰ মাতত উলহ-মালহ। প্ৰকৃতিয়ে যেন পাটগাভৰু হৈ সাজি-কাচি আদৰিছে ধনী-দুখীয়া সকলোকে। একতাৰ শিকলিত দলবদ্ধভাৱে নতুনত্বক গঢ় দিবলৈ যেন আমাক আদৰিছে। এই আশা লৈ আমাৰ মহাবিদ্যালয়খনৰ সীমাহীন অভাৱৰ মাজতো কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব প্ৰতিভাৰে সাহিত্যৰ বিশাল পথাৰখনত খোজ পেলাইছে। এয়া আমাৰ বাবে নিশ্চয় গৌৰৱৰ বিষয়। সম্প্ৰতি আমাৰ মহাবিদ্যালয় প্ৰাংগণত প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰী সাহিত্যৰ বিভিন্ন দিশৰ লগত জড়িত। অৱশ্যে এটা কথা স্বীকাৰ কৰিব লাগিব যে, অধ্যয়ন আৰু অনুশীলনৰ প্ৰতি অনীহা ভাবৰ বাবেই তেওঁলোকৰ বেছিভাগৰে লিখনিত এতিয়াও পৈণত ভাব ফুটি উঠা নাই। গতিকে ভৱিষ্যতে অধিক অধ্যয়ন আৰু অনুশীলনে তেওঁলোকৰ মাজৰপৰাই বিশিষ্ট লেখকৰ সৃষ্টি হ'ব বুলি আমি আশা ৰাখিছোঁ। লগতে সাহিত্য চৰ্চাৰ পৰিৱেশটো আৰু অধিক সজীৱ কৰিবৰ কাৰণে মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

যিসকলৰ স্বাৰ্থ শূন্য তথা আন্তৰিকতাপূৰ্ণ সহায়-সহযোগিতাত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'আলোচনী সম্পাদক'ৰ দায়িত্ব পালনৰ সুবিধা পালোঁ, তেওঁসকললৈ এই ছেগতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'জৱাহৰজ্যোতি' আমাৰ মহাবিদ্যালয়খনৰ মুখপত্ৰ। সেয়ে ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনৰ পূৰ্ণ প্ৰতিচ্ছবি ফুটি উঠাৰ ওপৰত সম্পাদক হিচাপে মই পাৰ্যমানে চেষ্টা কৰিছোঁ। মই মোৰ সীমিত জ্ঞানেৰে আলোচনীখন সৰ্বাংগসুন্দৰ কৰাত যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছোঁ। তৎ সত্বেও ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মই বিনম্ৰভাৱে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। 'জৱাহৰজ্যোতি'ৰ সম্পাদনা সমিতিলৈ উচ্চ মানবিশিষ্ট বহুতো লেখা আহিছিল যদিও 'জৱাহৰজ্যোতি'খনত ঠাই নাপালে। ইয়াৰ বাবে সম্পাদনা সমিতি অতি দুঃখিত। দায়িত্ব পালনত আৰু অতি কম সময়ত মুখপত্ৰখন উলিওৱাত ভুল হোৱাটো স্বাভাৱিক। সেয়ে অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সময়মতে ছাত্ৰ-ছাত্ৰীসকলৰ হাতত আলোচনীখন তুলি দিবলৈ সফল হোৱা বাবে সম্পাদনা সমিতিখনলৈ কৃতজ্ঞতা জনালোঁ। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা শ্ৰীযুত অৱনি কুমাৰ দাস ছাৰ, শ্ৰীযুতা ৰত্না ৰাভা (Computer Operator) আৰু শ্ৰীযুত শংকৰদেৱ দাসলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ বন্ধু শ্ৰীলক্ষপতি বড়ো, শ্ৰীচিৰঞ্জীৱ ৰাভা, শ্ৰীদিগন্ত দাস, শ্ৰীমৃদুল ৰাভা আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাসকললৈ আন্তৰিক ধন্যবাদ যাচিলোঁ।

সদৌ শেষত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ সম্পাদকৰ কলম সামৰিলোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

"জয়তু জৱাহৰজ্যোতি।"

08/11/12.

**শ্ৰীঅমৰজ্যোতি স্বৰ্গীয়াৰী**

সম্পাদক, জৱাহৰজ্যোতি

২০১২-১২

# অসমীয়া বিভাগ

## চিন্তন-মনন

মহৎ সাহিত্যৰ আৱেদন হ'ল, মানুহক হিংসা-বিদ্বেষ-কাম ভাবৰপৰা উত্তৰণ ঘটাই মোহমুক্ত, আসক্তি শূন্য, শান্ত-সমাহিত কৰা। মহৎ লিখকে ভাল আৰু বেয়া দুয়োটা দিশকে নিজৰ ৰচনাত বিবৃত কৰে ঃ সেইটো হ'ল সাহিত্যৰ সত্য। কিন্তু ৰচনাৰ শেষত মানুহক শান্তি আৰু সমাহিত কৰাটো তেওঁলোকৰ সৃষ্টি ক্ষমতাৰ লক্ষ্য।

"Oh! it is excellent
To have a gaint's strength,
but it is tyrannous
To use it like a gaint."

-Shakespeare

"মা, সোণৰ সাধু আৰু যোক নক'বি
মা, ৰূপৰ সাধু আৰু যোক নক'বি
মা, হীৰা-মুকুতাৰ সাধু নক'বি
মাটিৰ সাধুকথা ক,
কোলাতে বস্তুৱাই ল।"



# প্ৰাকৃতিক ৰং আৰু উত্তৰ-পূব ভাৰত

কুলেন্দু কলিতা
স্নাতক তৃতীয় বৰ্ষ

প্ৰাকৃতিক ৰং বুলিলে আমি বুজি পাওঁ প্ৰকৃতিত উপলব্ধ উদ্ভিদ, জীৱ আৰু খনিজাত সামগ্ৰীৰপৰা পাব পৰা ৰং। প্ৰকৃতিৰ বিভিন্ন উপাদানৰপৰা ৰং চিধাচিধি পোৱা নাযায়। বিভিন্ন কৌশল আৰু পদ্ধতিৰদ্বাৰা এই ৰং পোৱা হয় আৰু ইয়াকে প্ৰাকৃতিক ৰঙৰ নিষ্কাশন বুলি কোৱা হয়। ৰঙৰ নিষ্কাশনৰ পিচত এই ৰং বিভিন্ন কামত ব্যৱহাৰ হয়; যেনে— খাদ্যত, সূতা বা কাপোৰত, ফাৰ্মাচিটিকেল আৰু প্ৰসাধন সামগ্ৰীত। বিশ্বৰ সৰ্বাধিক প্ৰাকৃতিক ৰঙৰ উৎস হ'ল উত্তৰ-পূব ভাৰত। প্ৰাচীনকালত উত্তৰ-পূব ভাৰতত প্ৰাকৃতিক ৰং আৰু তাৰ সহায়কৰ সৰ্বাধিক ব্যৱহাৰ আছিল আৰু অসমীয়া মানুহে আজিৰপৰা ৬০-৭০ বছৰ আগলৈকে প্ৰসাধন সামগ্ৰীৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিশ্বৰ সকলোতকৈ আগত আছিল। উদাহৰণ দি শেষ কৰিব নোৱাৰি বিভিন্ন জনগোষ্ঠীৰ মাজত ব্যৱহৃত এনে সামগ্ৰীৰ— চেম্পু হিচাপে ব্যৱহৃত হৈছিল মণিছাল, কলাখাৰ, ঔ টেঙাৰ বীজ; গেন্ধে ফুল, চন্দন, নিম, চাবোন মাটি অথবা ফুলাৰ আৰ্থ (Fooler Earth), আমলখি, কেহেৰাজ, জেতুকা আদি। প্ৰসাধন ৰং হিচাপে ব্যৱহৃত হৈছিল সেন্দুৰ গছৰ গুটি বা উৰে আম, জেতুকা, বৰ্হমথুৰি, লাইচোবা কেং আৰু লাইচে মাং, প্ৰাকৃতিক লোৰ লগত চক্ষু গছৰ পাতৰ মিশ্ৰণ আদি অনেক সামগ্ৰী।




কিন্তু বৰ্তমান সময়ত ৰাসায়নিক প্ৰসাধন সামগ্ৰীৰ সহজলভ্যতাৰ ফলত অসমীয়া সমাজে (উত্তৰ-পূৰ্বাঞ্চলৰ কিছু জনগোষ্ঠীৰ মাজত বৰ্তমানেও প্ৰচলিত) বিশ্বমানৰ এই প্ৰসাধন সামগ্ৰীসমূহ বৰ্জন কৰিছে আৰু ক্ৰমান্বয়ে ইয়াক পাহৰি পেলাইছে। অৱশ্যে বিশ্বৰ উন্নত দেশসমূহৰ স্বাস্থ্য সম্পৰ্কে সজাগ লোকসকলে পুনৰায় এই সামগ্ৰীসমূহৰ ব্যৱহাৰত গুৰুত্ব দিছে।

প্ৰাকৃতিক ৰং উত্তৰ-পূব ভাৰতত বস্ত্ৰত ৰং কৰিবৰ বাবে বহুল পৰিমাণে ব্যৱহৃত হৈছিল। ইয়াৰ কাৰণো আছিল। এই অঞ্চলত বিভিন্ন জনগোষ্ঠীয়ে বাস কৰিছিল আৰু প্ৰত্যেকটো জনগোষ্ঠীৰেই ৰঙৰ পচন্দৰ তাৰতম্য আছিল, তাৰোপৰি এই জনগোষ্ঠীসমূহে সাধাৰণতেই উজ্জ্বল ৰং পচন্দ কৰিছিল। বেছিভাগ ক্ষেত্ৰতেই প্ৰত্যেকটো জনগোষ্ঠীয়ে যি অঞ্চলত বসবাস কৰিছিল, সেই অঞ্চলত তেনে ৰঙৰ উদ্ভিদ বা জীৱৰ প্ৰাচুৰ্য আছিল। সাধাৰণতে অৰুণাচল প্ৰদেশৰ বিভিন্ন জনগোষ্ঠীৰ মাজত উজ্জ্বল ৰঙা ৰং বা ইটা ৰঙৰ প্ৰচলন আছিল। মঞ্জিষ্ঠা বা Madder নামৰ লতা জাতীয় উদ্ভিদ জোপাৰপৰা এই ৰং আহৰণ কৰিছিল। নাগালেণ্ডৰ লোকসকলে ব্যৱহাৰ কৰা উজ্জ্বল ৰঙা ৰং এজোপা বৃহৎ লতাৰপৰা পাইছিল। তেওঁলোকে সমাজ হিচাপে হাবিত পূজা দি এই ৰং আহৰণ কৰিছিল আৰু দুই-এঠাইত এতিয়াও এই ব্যৱস্থা প্ৰচলিত। নামনি অসমৰ জনগোষ্ঠীসমূহৰ

প্ৰিয় ৰং আছিল উজ্জ্বল হালধীয়া, কাইমা, ক'লা (ছাই ৰং), কম পৰিমাণে নীলা, ৰঙা আদি। হালধীয়া ৰং আহৰণ কৰিছিল কঁঠাল, হালধি, শেৱালি ফুল আদিৰে; কাইমা ৰং আহৰণ কৰিছিল ডালিম, জবাফুল, চেগুন গছৰ পাত আদিৰ লগত প্ৰাকৃতিক লোৰ সংমিশ্ৰণ ঘটাই; ক'লা ৰং পাইছিল শিলিখা, কেহেৰাজ, জামু, জীয়া গছ আদিৰ লগত প্ৰাকৃতিক মিশ্ৰণ ঘটাই ৰঙৰ নীলা ৰং পাইছিল; জবা ফুল অথবা প্ৰাকৃতিক Indigo ৰপৰা, লগতে যিবোৰ অঞ্চলত সত্ৰীয়া সংস্কৃতিৰ প্ৰভাৱ আছিল, তেনে অঞ্চলত বৰালি মাছৰ পিত্ত অথবা বচ মাছৰ পিত্তৰপৰা; এই অঞ্চলত যিহেতু মঞ্জিষ্ঠা বা Madder দেখা নাযায়, গতিকে ৰঙা ৰংটো বা ইটা জাতীয় ৰং আহৰণ কৰা হৈছিল লাৰপৰা। লাৰপৰা অকল ৰঙাই যে আহৰণ কৰিব পাৰি তেনে নহয়, মই নিজে Sift ত প্ৰশিক্ষণ দিব যাওঁতে কৰা পৰীক্ষাত ৩২ টা ৰঙৰ shade আহৰণ কৰিছিলোঁ। বকোৰ গুলদস্তাত আমি লাৰ লগত নেমু, কলাখাৰ, থেকেৰা, চক্ষু গছৰ পাত আদিৰ সৈতে উষ্ণতাৰ তাৰতম্য ঘটাই শতাধিক ৰঙৰ shade ৰ তৈয়াৰ কৰোঁ। 'লা'ৰ ব্যৱহাৰ অতি জটিল। বিচৰা ৰংটো পাবৰ বাবে প্ৰয়োজনীয় উষ্ণতাৰ সামান্য পৰিৱৰ্তন ঘটিলে অথবা PH Value ৰ তাৰতম্য হ'লে সেই ৰং পোৱা সম্ভৱ নহয়। পাহাৰীয়া জনগোষ্ঠীসমূহে লাৰপৰা অতি যত্ন বা কষ্টৰে ৰং নিষ্কাশন কৰে আৰু ইয়াৰ মানদণ্ড অতুলনীয় (মেই উমদেন আৰু উমকন নামৰ মেঘালয়ৰ খাচী গাঁও দুখনত প্ৰশিক্ষণ দিব যাওঁতে তেওঁলোকে আমাক কৰি দেখুৱাইছিল তেওঁলোকৰ পদ্ধতিত)। অসমত ব্যৱহৃত লা নিষ্কাশনৰ প্ৰাচীন পদ্ধতিয়ে প্ৰাচীন কালত বিশ্বক চমকৃত কৰিছিল। "Including a series of panels, probably woven in Assam between the end of the 16th and begining of the 18th century, illustrating scenes from the Ramayana" (Natural Dyes by Dominique Cardon). একেধৰণেই লগত দিয়া Photo খনৰ বৰ্ণনা আছে— "The red ground of the silk fabric showing scenes from the life of Vishnu and his avatars is dyed with lac. North-eastern India (Assam) late 16th to early 18th century (Former AEDTA collection, Paris, inv. No. 3223) Photo AEDTA.

কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে উত্তৰ-পূৰ্বাঞ্চলত এনে প্ৰাকৃতিক ৰঙৰ চৰ্চা প্ৰায় শেষ হৈ আহিছে। তাৰ মাজতে এটা সুখবৰ আহিছে— 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ শিক্ষা পৰিসৰত' প্ৰাকৃতিক ৰং বিভাগত লাৰ উৎপাদন আৰম্ভ হ'ব আৰু বেলেগ বেলেগ উদ্ভিদত উৎপাদন হোৱা লাৰ ৰঙৰ পাৰ্থক্যৰ ওপৰত বকোৰ গুলদস্তাত পৰীক্ষা-নিৰীক্ষা চলিব। (সৌভাগ্যক্ৰমে মই লোকপ্ৰিয় গোপীনাথ বৰদলৈ শিক্ষা পৰিসৰৰ প্ৰাকৃতিক ৰং বিভাগত কনিষ্ঠ প্ৰশিক্ষকৰূপে নিযুক্তি পোৱাৰ লগতে লাৰ ওপৰত চলা পৰীক্ষাসমূহত অংশগ্ৰহণৰ সুবিধা পাম)। লগতে এটা বেয়া খবৰ— বৰালি মাছৰ পিত্তৰপৰা কৰা নীলা ৰং অন্তিমবাৰৰ বাবে ২০১২-১৩ চনৰ ডিচেম্বৰৰপৰা ফেব্ৰুৱাৰী মাহৰ এটা দিনত (অকল Documentationৰ বাবে) লোকপ্ৰিয় গোপীনাথ বৰদলৈ শিক্ষা পৰিসৰৰ উদ্যোগত কৰা হ'ব। ইয়াৰ পিচতেই বৰালি মাছৰপৰা পোৱা নীলা ৰং অসমীয়া সত্ৰীয়া সংস্কৃতিৰ এটা অংশ চিৰদিনৰ বাবেই বুৰঞ্জী হৈ ৰ'ব।

এনে মুহূৰ্তত আমি যদি বিচাৰোঁ, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত এখন প্ৰাকৃতিক ৰঙৰ উদ্ভিদৰ উদ্যান আৰম্ভ কৰিব পাৰোঁ; য'ত উত্তৰ-পূব ভাৰতত ব্যৱহৃত প্ৰাচীন ৰঙসমূহৰ বাবে ব্যৱহৃত উদ্ভিদসমূহ সংৰক্ষণ কৰিব পাৰোঁ। ই পৰিৱেশৰ সহায়ক হোৱাৰ লগতে ভৱিষ্যতে বকো অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে সহজেই অধ্যয়ন কৰাৰ সুবিধা পাব। ❖❖❖

---

## মহৎ লোকৰ বাণী

সংগ্ৰাহিকা :
খনা বাণী বড়ো, উঃ মাঃ দ্বিতীয় বৰ্ষ

- দৃঢ় সংকল্প নহ'লে কোনো ভাল কাম কৰা সম্ভৱ নহয়।

  ➢ মহাত্মা গান্ধী

- বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।

  ➢ মাদাৰ টেৰেছা

- ইচ্ছাশক্তি য'ত প্ৰবল, তাত জটিলতাই কোনো ধৰণৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে।

  ➢ মেকিয়া ভেলি

- শ্ৰমেই সকলো সম্পদ আৰু সংস্কৃতিৰ উৎস।

  ➢ এফ. লাছেল

# ভাৰতীয় সমাজত নাৰী

নৱ কুমাৰ কলিতা
স্নাতক তৃতীয় বৰ্ষ

লিংগভিত্তিক অসমতা আন্তঃৰাষ্ট্ৰীয় আইন আৰু বিশ্বৰ ভালেমান ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় আইন এক প্ৰধান বিচাৰ্য বিষয়। ইংৰাজী 'জেণ্ডাৰ' (Gender) আৰু 'চেক্স' (Sex) শব্দ দুটা অসমীয়াত প্ৰায় একে অৰ্থতে ব্যৱহাৰ কৰা হয় যদিও এই শব্দ দুটাৰ মাজত অৰ্থগত পাৰ্থক্য আছে। 'চেক্স' শব্দটোৱে মতা-মাইকীৰ মাজৰ জৈৱিক পাৰ্থক্যক বুজায়। এই শব্দটো চিকিৎসা বিজ্ঞানৰ লগত জড়িত; কিয়নো ইয়াৰ লগত এনাটনি (Anatony), হ'ৰমন (Hormone), ক্ৰম'জ'ম (Cromosome) জড়িত হৈ আছে। অন্যহাতেদি 'জেণ্ডাৰ' (Gender) শব্দটোৰ এটা সামাজিক বা সাংস্কৃতিক অৰ্থ আছে। পুৰুষ আৰু মহিলাক কেন্দ্ৰ কৰি যিবিলাক চিন্তা-চৰ্চাৰ সৃষ্টি হৈছে, সেইবিলাকৰ লগত সমাজ আৰু সংস্কৃতিৰ মূল্যবোধ জড়িত হৈ আছে। Simone-de-Beauvio-ৰ মতে মহিলা হৈ কোনো জন্ম নহয়, সমাজ আৰু সংস্কৃতিয়েহে মহিলাৰ জন্ম দিয়ে।

সমাজ আৰু সংস্কৃতিয়ে যে মহিলাক জন্ম দিয়ে, তাৰ কেইটামান সমাজত চলি থকা ব্যৱস্থা—

(ক) আমাৰ সমাজত কিছুমান কাম মহিলাৰ বাবে আছুতীয়াকৈ ৰখা হৈছে; যেনে— ঘৰ-দুৱাৰ, বাচন-বৰ্তন পৰিষ্কাৰ কৰা, কাপোৰ ধোৱা, খোৱা বস্তু ৰন্ধা, কেঁচুৱা লালন-পালন কৰা ইত্যাদি।

(খ) কিছুমান কাম কৰিবলৈ মহিলাক উৎসাহিত কৰা নহয়; যেনে— গাড়ী চলোৱা, যন্ত্ৰ-পাতিৰ সহায়ত উৎপাদন কৰা।

(গ) ভালেমান সমাজত মহিলাই কি খাব, কি পিন্ধিব, কেনেকৈ খোজকাঢ়িব, কেনেকৈ কথা ক'ব, কেনেকৈ শুব, চুলি কাটিব নে বান্ধিব ইত্যাদি এই আটাইবোৰ কথা সমাজ-সংস্কৃতিয়ে নিৰ্ধাৰণ কৰে আৰু সামাজিক সংস্কৃতি নিৰ্ধাৰণ কৰে সমাজৰ সমাৰ্থৱান, বলৱান আৰু প্ৰভাৱশালী পুৰুষে।

প্ৰাক্ ঐতিহাসিক যুগৰেপৰা খাদ্য আৰু সংস্থাপনৰ দিশত পুৰুষৰ স'তে মহিলায়ো সমানভাৱে অংশগ্ৰহণ কৰি অহা দেখা যায়। পিচে সময়ৰ পৰিৱৰ্তনৰ লগে লগে পুৰুষ আৰু নাৰীৰ কাম-কাজৰ মাজত কিছু ভিন্নতা আহি পৰিল। প্ৰাচীন সমাজ ব্যৱস্থাত পুৰুষসকলে নিজকে উৎপাদনত ব্যস্ত ৰাখিছিল। আনহাতে নাৰীয়ে ঘৰুৱা সকলো কাম-কাজৰ দায়িত্ব বহন কৰিছিল। এনে বিভাজনৰ ফলতো পুৰুষ আৰু নাৰীৰ মাজত অসমতাৰ সৃষ্টি হ'ল। সমাজৰ উন্নয়নৰ লগে লগে পুৰুষসকল আগবাঢ়িল আৰু নাৰীসকল বহু পিচত ৰৈ গ'ল। বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় আধাতকৈও বেছি মহিলা যদিও মহিলাক 'পুৰুষৰ অৰ্ধাংগিনী' (better half of man) বুলি কোৱা হয়। তথাপি যুগ যুগ ধৰি মহিলাসকল পুৰুষৰদ্বাৰা শোষিত আৰু অৱহেলিত হৈ আহিছে। শক্তিশালী পুৰুষে মহিলাৰ ওপৰত তেওঁলোকৰ ইচ্ছা বলেৰে জাপি দিছে এশ-এবুৰি ঘৰুৱা সমস্যা। যেতিয়া নাৰীসকলে পুৰুষপ্ৰধান সমাজত শোষিত আৰু নিষ্পেষিত হোৱা বুলি অনুভৱ কৰে আৰু এনে পৰিৱেশৰপৰা মুক্তি লাভ কৰিবৰ কাৰণে দাবী উত্থাপন কৰি তেওঁলোকৰো পুৰুষৰ সমান অধিকাৰ আছে।

ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ অধীনস্থ মহিলাৰ মৰ্যাদা সম্পৰ্কীয় আয়োগ (The Commission on the Status of Women) 1946 চনৰ জুন মাহত প্ৰতিষ্ঠা কৰা হৈছিল। এই আয়োগে মহিলাৰ মৰ্যাদা সম্পৰ্কীয় কেইবাখনো গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰ প্ৰস্তুত কৰিছিল। সেইবিলাক হ'ল—

(ক) ১৯৫২ চনৰ মহিলাৰ ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় চুক্তিপত্ৰ (The Convention on the Political Rights of Women, 1952)।

(খ) ১৯৫৭ চনৰ বিবাহিত মহিলাৰ নাগৰিকত্ব সম্পৰ্কীয় চুক্তিপত্ৰ (The convention on Nationality Married Women)।

(গ) ১৯৬২ চনৰ বিবাহ পঞ্জীয়ন, বিয়াৰ ন্যূনতম বয়স

আৰু সম্মতি সম্পৰ্কীয় চুক্তিপত্ৰ (The Convention on Consent to Marriage, Minimum Age for Marriage and Registration of Marriage, 1962)।

(ঘ) ১৯৬৭ চনৰ মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰীকৰণ ঘোষণা পত্ৰ (Declaration on Elimination of Discrimination of Women, 1967) আৰু

(ঙ) ১৯৭৯ চনৰ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণ চুক্তিপত্ৰ (Convention on Elimination of all Forms of Discrimination Against Women)।

আমাৰ সংবিধান লুটিয়াই চালে দেখা যায় যে— জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে পুৰুষ-মহিলা উভয়কে সমান অধিকাৰ প্ৰদান কৰিছে। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি সকলো দিশতে মহিলাৰ অধিকাৰ পুৰুষৰ সৈতে সমান।

নাৰী নিৰ্যাতনৰ ক্ষেত্ৰত থকা আমাৰ সংবিধানৰ প্ৰতিটো ধাৰা আমি সকলোৱে জনাটো এতিয়া অতি প্ৰয়োজন। নাৰী নিৰ্যাতনৰ ক্ষেত্ৰত থকা সংবিধানৰ বিভিন্ন ধাৰা—

**যৌন নিৰ্যাতন ঃ**

(ক) মহিলাক অশালীন ব্যৱহাৰ কৰা, মাধধৰ কৰি সতীত্ব নষ্ট কৰাৰ অপৰাধত ৩৫৪ নং ধাৰা অনুসৰি ২ বছৰ কাৰাদণ্ড আৰু জৰিমনা।

(খ) মহিলাক মৌখিকভাৱে বা শাৰীৰিকভাৱে বা কোনো অংগি-ভংগিৰে সতীত্ব নষ্ট কৰাৰ অপৰাধত ৫০৯ নং ধাৰা অনুসৰি এবছৰ কাৰাদণ্ড আৰু জৰিমনা।

(গ) ১৮ বছৰৰ তলৰ নাবালিকাক বিক্ৰী কৰা, বেশ্যা বৃত্তিত প্ৰবৃত্ত কৰোৱা, অবৈধভাৱে যৌন ক্ষুধা পূৰণ কৰাৰ অপৰাধত ৩৭২ নং ধাৰা অনুসৰি ১০ বছৰ কাৰাদণ্ড আৰু জৰিমনা।

**শাৰীৰিক নিৰ্যাতন ঃ**

(ক) ইচ্ছাকৃতভাৱে কৰা আঘাত বা আঘাত কৰাৰ প্ৰয়াসত ৩২৩ নং ধাৰা অনুসৰি ১ বছৰ কাৰাদণ্ড আৰু জৰিমনা।

(খ) ইচ্ছাকৃতভাৱে অস্ত্ৰাঘাত কৰাত ৩২৪ নং ধাৰা অনুসৰি ৩ বছৰ কাৰাদণ্ড আৰু জৰিমনা।

(গ) শাৰীৰিক নিৰ্যাতনৰদ্বাৰা সা-সম্পত্তি হস্তগত কৰা বা বে-আইনীভাৱে গাৰ বলেৰে কাম কৰাৰ অপৰাধত ৩২৭ নং ধাৰা অনুসৰি ১ বছৰ কাৰাদণ্ড আৰু জৰিমনা।

**মানসিক নিৰ্যাতন ঃ**

(ক) জীৱন বিপন্ন কৰা বা যি কোনো জীৱনৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ অপৰাধত ৩৩৬ নং ধাৰা অনুসৰি ৩ মাহৰ কাৰাদণ্ড আৰু ২৫০ টকা জৰিমনা।

(খ) জীৱন বিপন্ন কৰিবলৈ কৰা কাম গুৰুতৰ আঘাত বা জীৱনৰ প্ৰতি ভাবুকিৰ অপৰাধত ক্ৰমে ৬ মাহৰ কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা, ২ বছৰ কাৰাদণ্ড আৰু ১০০০ টকা জৰিমনা।

(গ) গুণ্ডাৰ হতুৱাই অসন্মান কৰোৱাৰ অপৰাধত ৩৫৫ নং ধাৰা অনুসৰি ২ বছৰ কাৰাদণ্ড আৰু জৰিমনা ১০০০ টকা।

ভাৰতীয় পৰম্পৰাত মাতৃৰ স্থান পিতৃতকৈও উচ্চত। উদাহৰণ হিচাপে শ্ৰীৰামচন্দ্ৰই বিমাতা কৈকেয়ীৰ আদেশ শিৰে ধৰি বনলৈ গৈছিল। বৰ্তমান নাৰী পুৰুষৰ সমানে ৰাজনীতি, শিক্ষা, সংস্কৃতি, সাহিত্য, কলা, বিজ্ঞান, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে সমানে আগবাঢ়ি গৈছে। মহিলাসকলে নিজৰ অধিকাৰ লাভ কৰাৰ পাচত এতিয়া যেন নাৰীসকলে নিজৰ ইচ্ছামতে সমাজত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিছে। কিছুমানে নিজে দেহ ব্যৱসায় কৰিছে, চুটি চুটি বস্ত্ৰ পৰিধান কৰি নিজেই বিপদৰ সন্মুখীন হৈছে মোবাইলৰ অসৎ ব্যৱহাৰৰ যোগেদি। যেতিয়ালৈ নাৰীৰ উন্নতি নহয়, যেতিয়ালৈ নাৰী সভ্য নহয়, তেতিয়ালৈ দেশত শান্তি নাহে। এই সন্দৰ্ভত নেপোলিয়ন বোনাপাৰ্টে কৈছিল— "মোক এজনী সৎ নাৰী দিয়া, মই এখন সভ্য ৰাষ্ট্ৰ দিম।" আকৌ এজন বিজ্ঞ লোকে কৈছে যে— "মানুহে নিজ **দোষত খাবলৈ নোপোৱা হয়, বংশৰ দোষত মানুহ অধাৰ্মিক হয়, পিতৃৰ দোষত মূৰ্খ হয় আৰু মাতৃৰ দোষত চৰিত্ৰহীন হয়।"** ❖❖❖

# মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ
বিপুল বাভা, স্নাতক তৃতীয় বৰ্ষ

- প্ৰকৃত শিক্ষাই ভুল আঁতৰ কৰে আৰু সত্যক স্থাপন কৰাই শিক্ষাৰ লক্ষ্য।
  > চক্ৰেটিছ

- জীৱনত কেতিয়াবা পৰাজিত নোহোৱাটো গৌৰৱ নহয়; গৌৰৱ হ'ল কোনো পৰাজয়তে হাব নামানি আগবাঢ়ি যোৱাটোহে।
  > জৱাহৰলাল নেহৰু

- উদ্দেশ্য যদি মহৎ হয়, কৰ্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে।
  > ৰবীন্দ্ৰনাথ ঠাকুৰ

# শিক্ষানুষ্ঠানত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা

গায়ত্ৰী বড়ো
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

শিক্ষাৰ প্ৰকৃত অৰ্থ হৈছে মানুহৰ অন্তৰ্নিহিত সুপ্ত গুণবোৰক জাগ্ৰত আৰু কাৰ্যক্ষম কৰি তুলিব পৰা এক মন্ত্ৰ।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দিনত শিক্ষানুষ্ঠানসমূহৰ বহুল উন্নতি সাধন হৈছে আৰু এনে অত্যাধুনিক সা-সুবিধা থকা বিদ্যালয়ত যথেষ্ট টকাৰ বিনিময়ত শিক্ষাৰ্থীয়ে শিক্ষাও লাভ কৰিছে, বাহ্যিকভাৱে পোছাক-পাটিত সু-শৃংখলো হৈছে। কিন্তু শিক্ষাৰ্থী এজনক প্ৰকৃত মানুহ কৰি গঢ়ি তুলিবলৈ হ'লে সি বাহ্যিক আৰু আভ্যন্তৰীণ উভয় দিশতে সু-শৃংখলিত হ'ব লাগিব।

'মানুহ' বুলি কোৱাৰ লগে লগে তাত দুটি অৰ্থ সোমাই থাকে। এটা হৈছে শাৰীৰিক অবয়বৰ মানুহ আৰু আনটো অৰ্থত মানৱীয় গুণসমূহৰ সমষ্টিৰ মানুহ। এই দুয়োটাৰ পৰিপূৰ্ণতাতহে 'মানুহ' শব্দটিয়ে সম্পূৰ্ণতা লাভ কৰে। অকল শাৰীৰিক অবয়বেৰে এজন মানুহ প্ৰকৃত বা পূৰ্ণ মানুহ হ'ব নোৱাৰে। সেয়ে যদি আমি বৰ্তমান পৰিস্থিতিলৈ চাওঁ তেন্তে দেখা পাওঁ যে, আজিৰ পৃথিৱীত শাৰীৰিক অবয়বতহে মানুহ শব্দৰ প্ৰকৃত প্ৰতিফলন ঘটিছে। শৰীৰ আৰু মন উভয়কে সুস্থভাৱে পৰিচালিত কৰা লোকৰ সংখ্যা তাকৰ। ইয়াৰপৰাই আমি অনুমান কৰিব পাৰোঁ যে, আমি বা বৰ্তমান যুগৰ ল'ৰা-ছোৱালীয়ে অত্যাধুনিক সা-সুবিধাৰ মাজেৰে যি শিক্ষা লৈ আছে, তাৰদ্বাৰা তেওঁলোকে সম্পূৰ্ণতা লাভ কৰিব পৰা নাই। নহ'লেনো আজিৰ জ্ঞানৰ বিস্ফোৰণৰ যুগত মানুহে পিশাচৰ নিচিনা কাম কৰেনে? পশুৰ নিচিনা বুলি ক'লেও ভুল হ'ব পাৰে, কাৰণ পশু-পক্ষীয়ে কেতিয়াও প্ৰকৃতিৰ নিয়ম ভংগ কৰি কোনো কাম নকৰে। প্ৰাকৃতিক দুৰ্যোগ, বানপানী আদিত বাঘে-ছাগে একেলগে বসবাস কৰে। কোনেও

আধ্যাত্মিক জ্ঞানে মানুহক সংযমী আৰু আয়ুস বৃদ্ধি কৰে। বৰ্তমান যুৱ প্ৰজন্ম এক উচ্ছৃংখল জীৱনৰ প্ৰতি ধাৱিত হোৱা দেখা গৈছে। যুৱ কালটো মানৱ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ সময়। ই জীৱন গঢ়াৰো সময় আৰু জীৱন ভঙাৰো সময়। সেয়ে এই সময়খিনিত যদি তেওঁলোকক সংযমী কৰিব পৰা নাযায়, তেন্তে জীৱনৰ আচল মূল্যৱান সময়খিনিয়ে ধ্বংস হ'ব আৰু ভৱিষ্যৎ জীৱন অন্ধকাৰ হ'ব, সমাজৰ ক্ষতি হ'ব। সংযমতা আনিবলৈ হ'লে এই সময়ছোৱাত শিক্ষানুষ্ঠানত আধ্যাত্মিক পথৰ বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰা অতি প্ৰয়োজন।

কাৰো অনিষ্ট নকৰে। কিন্তু হিতাহিত জ্ঞানশূন্য হৈ অপকৰ্ম কৰে একমাত্ৰ জীৱশ্ৰেষ্ঠ মানুহে। আমি সদায়েই সংবাদ মাধ্যমৰ যোগেদি মানুহৰ অমানুষিক কাৰ্যকলাপৰ কথা অৱগত হৈয়ে থাকোঁ। তাৰ মানে আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাই আমাৰ অন্তৰ্নিহিত সু-গুণবোৰৰ বিকাশ সাধন কৰিব পৰা নাই। যাৰ ফলত আজি ভাতৃঘাতী সংঘৰ্ষ, গোষ্ঠীগত সংঘৰ্ষ, দেশে দেশে ৰক্তপাত হৈ এক অশান্তিময় পৰিস্থিতিৰ সন্মুখীন হ'বলগা হৈছে।

আজিৰ শিক্ষা ব্যৱস্থাৰে 'মানুহ' শব্দটিৰ প্ৰকৃত পৰিচয় পাবলৈ হ'লে শিক্ষানুষ্ঠানসমূহত আধ্যাত্মিক শিক্ষা প্ৰৱৰ্তন কৰাটো অতীৱ প্ৰয়োজন হৈ পৰিছে। আধ্যাত্মিক জ্ঞান বুলিলে আমি সাধাৰণতে আত্মা সম্পৰ্কে লাভ কৰা জ্ঞানকে বুজোঁ। অৰ্থাৎ যেতিয়া আমাৰ আত্মিক উপলব্ধি হ'ব আৰু আমি বুজি পাম যে আমি সকলোৰে এক ঈশ্বৰৰ সন্তান আৰু সমস্তৰে হৃদয়ত আত্মাৰূপে ঈশ্বৰ বিৰাজমান হৈ আছে। আমি যদি ইজনে-সিজনক হিংসা কৰোঁ, তেনেহ'লে ঈশ্বৰকে অন্যায় আৰু হিংসা কৰা হ'ব। এই কথাখিনি প্ৰায় সকলো শাস্ত্ৰতে মহাপুৰুষসকলে লিপিবদ্ধ কৰি গৈছে আৰু আমি তাক মুখেৰে আওৰাইছোঁ। কিন্তু হৃদয়ংগম কৰা নাই। কাৰণ আত্মাক জগাব পৰা নাই। আত্মাক জাগৰণ কৰিবলৈ কিছুমান ব্যৱস্থাৰ প্ৰয়োজন। ইয়াৰ বাবে সদ্‌গুৰুৰ প্ৰয়োজন আৰু সদ্‌গুৰুৱেহে আত্মাৰ জাগৰণ আনিব পাৰে।

আধ্যাত্মিক জ্ঞানে মানুহক সংযমী আৰু আয়ুস বৃদ্ধি কৰে। বৰ্তমান যুৱ প্ৰজন্ম এক উচ্ছৃংখল জীৱনৰ প্ৰতি ধাৱিত হোৱা দেখা গৈছে। যুৱ কালটো মানৱ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ সময়। ই জীৱন গঢ়াৰো সময় আৰু জীৱন ভঙাৰো সময়। সেয়ে এই সময়খিনিত যদি তেওঁলোকক সংযমী কৰিব পৰা নাযায়, তেন্তে জীৱনৰ আচল মূল্যবান সময়খিনিয়ে ধ্বংস হ'ব আৰু ভৱিষ্যৎ জীৱন অন্ধকাৰ হ'ব, সমাজৰ ক্ষতি হ'ব। সংযমতা আনিবলৈ হ'লে এই সময়ছোৱাত শিক্ষানুষ্ঠানত আধ্যাত্মিক পথৰ বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰা অতি প্ৰয়োজন। শিক্ষানুষ্ঠানত আধ্যাত্মিক শিক্ষা প্ৰদানৰ বেলিকা অকল যে শিক্ষাৰ্থীসকলকহে আধ্যাত্মিক জ্ঞান দিয়াটো উচিত, তেনে নহয়; শিক্ষকসকলো আধ্যাত্মিক জ্ঞানপুষ্ট হোৱা উচিত। বৰ্তমান সময়ত বেছিভাগ শিক্ষকেই নৈতিক আৰু আধ্যাত্মিক জ্ঞানশূন্য হোৱা হেতুকে শিক্ষাৰ্থীসকলো নৈতিক জ্ঞানশূন্য হৈ পৰিছে। নিয়মীয়াকৈ যদি ছাত্ৰ-ছাত্ৰীসকলক আধ্যাত্মিক পাঠ প্ৰদান কৰা হয়, তেন্তে লাহে লাহে শিক্ষাৰ্থীসকল সংযমী হ'ব আৰু সু-শৃংখলিত জীৱন যাপন কৰি দেশৰ ধৰণীস্বৰূপ যুৱ প্ৰজন্মই দেশ তথা বিশ্বত শান্তি স্থাপনত অৰিহণা যোগাব পাৰিব।

ঈশ্বৰে আমাক কৃপা কৰক, যাতে আমি সকলোৱে আধ্যাত্মিক জ্ঞানৰ অধিকাৰী হৈ বিশ্বত একো একোজন মানৱৰূপে পৰিচয় দিব পাৰোঁ। ❖❖❖

---

## কু ই জ

সংগ্ৰাহিকা ঃ ল্যৱণ্য কুমাৰী (স্নাতক তৃতীয় বৰ্ষ)

- ➧ বিশ্বত কোন ধৰ্মাৱলম্বী লোকৰ সংখ্যা অধিক?
- ➢ খ্ৰীষ্টান।
- ➧ পৃথিৱীৰ দীৰ্ঘতম মহাকাব্যখন কি?
- ➢ মহাভাৰত।
- ➧ পৃথিৱীৰ বৃহত্তম ব-দ্বীপ কি?
- ➢ সুন্দৰবন।
- ➧ বিশ্বৰ বৃহত্তম সুৰংগ পথ কি?
- ➢ চিমপ্লন (সাত মাইলতো অধিক)।
- ➧ বিশ্বৰ বৃহত্তম মহাসাগৰ কোনখন?
- ➢ প্ৰশান্ত মহাসাগৰ।
- ➧ ভাৰতত কিমান চনত ডাকসেৱাৰ প্ৰৱৰ্তন কৰা হয়?
- ➢ ১৮৩৭ চনত।
- ➧ প্ৰতিমাৰ খনিকৰ বুলি কাক কোৱা হয়?
- ➢ চন্দ্ৰকুমাৰ আগৰৱালাক।
- ➧ অসম কেশৰী বুলিলে কাক বুজোঁ?
- ➢ অম্বিকাগিৰি ৰায়চৌধুৰীক।
- ➧ হামিংবাৰ্ড ক'ত পোৱা যায়?
- ➢ কিউবাত।
- ➧ বিশ্বৰ বৃহত্তম গ্ৰন্থাগাৰ কোনটো?
- ➢ লেনিন লাইব্ৰেৰী (ৰাছিয়া)।

# শিক্ষাৰ ক্ষেত্ৰত অহিংসা ক্ৰান্তি

কাতিৰাম ৰাভা

মহামানৱ মহাত্মা গান্ধীয়ে শিক্ষাদান আৰু গ্ৰহণৰ ক্ষেত্ৰত বহু চিন্তা-চৰ্চা কৰিছিল। কণ কণ ল'ৰা-ছোৱালীক শিক্ষাদান কৰা বিষয়ত গভীৰ চিন্তন-মনন কৰিছিল। এই শিক্ষাৰ বিষয়ে আলোচনা কৰাৰ বাবে ৱাৰ্দ্ধাৰ আশ্ৰমত এখন মহামেল পাতিছিল। তাত সেই সময়ৰ মহান শিক্ষাবিদমণ্ডলীক আহ্বান কৰি ৱাৰ্দ্ধালৈ আনিছিল। ১৯৩৭ চনৰ অক্টোবৰ মাহত ৱাৰ্দ্ধাত মহাত্মা গান্ধীৰ নেতৃত্বত শিক্ষাবিদসকলে শিক্ষা সম্পৰ্কে বিশদ আলোচনা কৰি সৰ্বসন্মতিক্ৰমে এটি নতুন শিক্ষা পদ্ধতি গ্ৰহণ কৰে। এই নতুন শিক্ষা পদ্ধতিটোৱে 'নই তালিম' শিক্ষা পদ্ধতি। ৱাৰ্দ্ধা নগৰতে এই শিক্ষা পৰিকল্পনা গৃহীত হোৱা বাবে ইয়াক ৱাৰ্দ্ধা শিক্ষা পৰিকল্পনা বুলিও কোৱা হয়। এই কৰিকল্পনাৰ বাবে শিক্ষাবিদ ডাঃ জাকিৰ হুছেইন ছাহাবৰ নেতৃত্বত ১৯৩৭ চনৰ ডিচেম্বৰ মাহত পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। এই শিক্ষাৰ পাঠ্যক্ৰমক আঠভাগত ভাগ কৰা হয়—

১। মূল উদ্যোগ
২। মাতৃভাষা
৩। গণিত
৪। সমাজ বিজ্ঞান
৫। সামান্য বিজ্ঞান
৬। চিত্ৰকলা
৭। সংগীত
৮। হিন্দী ভাষা।

এই বিষয়সমূহক লৈ সাত বছৰ শিক্ষাৰ পিচত ইংৰাজীক বাদ দি এতিয়াৰ মেট্ৰিকুলেচনৰ সমপৰ্যায়ৰ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিব পাৰে।

১৯৩৮ চনত হৰিপুৰাৰ ভাৰতীয় জাতীয় মহাসভা কংগ্ৰেছে এই বুনিয়াদী শিক্ষা পৰিকল্পনাকে জাতীয় শিক্ষা হিচাপে গ্ৰহণ কৰে। বুনিয়াদী শিক্ষা সম্পৰ্ক মোৰ ব্যক্তিজীৱনৰ সম্পৰ্কে আষাৰচেৰেক উল্লেখ কৰিলোঁ। মই ১৯৪৪ চনত বকোত স্থাপন হোৱা মৌমান সেৱা শ্ৰমত স্থানীয় কৰ্মী হিচাপে যোগদান কৰোঁ।

এই আশ্ৰমৰ কৰ্মী হিচাপে ১৯৪৬ চনত মেদিনীপুৰ জিলাৰ ঝাৰগ্ৰামত হোৱা বুনিয়াদী ট্ৰেনিং কেন্দ্ৰলৈ যোৱাৰ সৌভাগ্য মোৰ হৈছিল। এই ট্ৰেনিং কেন্দ্ৰৰ মুৰব্বী আছিল মাননীয়া আশাদেৱী আৰ্যনায়কম। তেখেতে অক্লান্তভাৱে শান্ত-সৌম্য ৰূপত আমাক নতুন শিক্ষা পদ্ধতিৰ প্ৰশিক্ষণ দিছিল। আমাৰ প্ৰশিক্ষণৰ দৈনিক কাৰ্যক্ৰম আছিল প্ৰাতঃ ৪-০০ বজাৰপৰা ৰাতি ৯-৩০ বজালৈ। ৰাতিপুৱা ৪-০০ বজাতে উঠি প্ৰাৰ্থনা কৰা কাৰ্যক্ৰমৰদ্বাৰা আমাৰ দৈনিক কাৰ্যক্ৰমণিকাৰ শুভাৰম্ভ হৈছিল। চাফাই কাৰ্য বাধ্যতামূলক আছিল। প্ৰাৰ্থনাত মাননীয়া আশাদেৱীয়ে গোৱা সুমধুৰ ভজনৰ সুৰ এতিয়াও মোৰ মনগহ্নত বাজি আছে। আমি জনাত তেখেত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ নাতিনী। সেয়ে বংশ পৰম্পৰা হিচাপে ভজনৰ সুৰ ইমান শুৱলা আৰু সুৱদি আছিল। ৰাতিপুৱাৰ জলযোগৰ অন্তত সূত্ৰযজ্ঞ হৈছিল। এই সূত্ৰযজ্ঞত কপাহ ধুনা, পাজি বোৱা, সূতা কটা সকলো কামৰ শিক্ষা দিয়া হৈছিল। টকুৰা (তবালী) ঘূৰাই ঘূৰাই সূতা কটা হৈছিল। আধা ঘণ্টাৰপৰা এঘণ্টালৈ এই সূত্ৰ কাৰ্য চলিছিল। কটা সূতাৰ হিচাপ উলিয়াব লাগিছিল। সূতা কটাৰদ্বাৰা কণ কণ ল'ৰা-ছোৱালীক অংকৰ শিক্ষা দিব পাৰি। কপাহৰপৰা সূতা হয়। এই কপাহ আমাৰ দেশৰ ক'ত ক'ত উৎপন্ন হয় আৰু বিদেশত ক'ত ক'ত হয়, সেই কথা আলোচনা কৰোঁতে ভূগোলৰ শিক্ষা দিব পাৰি। সূত্ৰত সাধাৰণতে মৌনভাৱে থাকিব লাগে। ইয়াৰদ্বাৰা মন দৃঢ় আৰু স্থিৰ ৰখাৰ উপায়।

**ভোজন কাৰ্য ঃ**

দৈনিক দুপৰীয়া ১ বজাত আৰু ৰাতি ৯ বজাত আহাৰ খোৱা হয়। খোৱা জনসংখ্যা হিচাপে কিমান পৰিমাণৰ চাউল, আটা, দাইল, লোণ, তেল, হালধি, মছলা লাগে, তাৰ হিচাপ ৰাখিব লাগে। লগতে খাদ্যবস্তুবিলাক ক'ত উৎপন্ন হয়, দাম আদি সকলো কথা ল'ৰা-ছোৱালীক ক'ব লাগে। ইয়াৰদ্বাৰা ল'ৰা-

ছোৱালীয়ে দৈনন্দিন খাদ্যবস্তুৰ দাম-দৰৰ বিষয়ে জ্ঞাত হয়। বস্তুবিলাকৰ দাম, কিলোগ্ৰাম, গ্ৰাম আদিৰ শিক্ষা দিয়াত সহায় হয়। কৃষিজাত বস্তুবিলাকৰ উৎপন্ন হোৱা ঠাইবিলাকৰ কথা ল'ৰা-ছোৱালীয়ে জানিব পাৰে। তাৰদ্বাৰা ভৌগোলিক জ্ঞান ল'ৰা-ছোৱালীৰ হয়।

বুনিয়াদী শিক্ষা দান কৰাৰ বাবে উদ্যোগ, কৃষিৰ সহায় লোৱা হয়। কাৰণ বুনিয়াদী স্কুলত প্ৰত্যেক কামৰ জৰিয়তে জ্ঞান লাভৰ আৰু ন ন কাম কৰাৰ আনন্দ লুকাই থাকে। শিক্ষাৰ মাধ্যম হিচাপে ল'ৰা-ছোৱালীয়ে সূতা কটা, কাপোৰ বোৱা, বাগিচাৰ কাম, কাঠৰ কাম, চিলাইৰ কাম, বাঁহ-বেতৰ কাম কৰি শিক্ষা লাভ কৰাৰ উপৰিও স্বাৱলম্বী হোৱাৰ পথ মুকলি হয়। বুনিয়াদী স্কুলত সাংস্কৃতিক কামৰ যোজনা ৰাখিবই লাগে। ছাত্ৰ-ছাত্ৰীয়ে মাহত এবাৰকৈ হ'লেও বক্তৃতা দিয়া, গল্প কোৱা, অভিনয়, নৃত্য-সংগীত আদিৰে সাংস্কৃতিক চৰ্চা কৰিব লাগে। এই সাংস্কৃতিক কামৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সহজাত বৃত্তিৰ সহজে পুষ্টিসাধন হয়। খেল-ধেমালি, আমোদ-প্ৰমোদ, নৃত্য-কলা-সংগীতৰ মাজেৰে ঐক্য-শান্তিৰ ভাব সৃষ্টি কৰিব পাৰি। ব্যক্তি চেতনা গঢ় লৈ উঠে আৰু সমাজৰ মাজত থকা কৃষ্টি-সংস্কৃতিৰ মূল্যায়ন ছাত্ৰ-ছাত্ৰীয়ে সহজে কৰিব পৰা হয়।

**অহিংসা মৰমৰ উদ্ৰেক ঃ**

সাধাৰণতে শিক্ষকৰ প্ৰতি সৰু সৰু ল'ৰা-ছোৱালীবিলাকৰ ভয় থাকে। এই ক্ষেত্ৰত এটি সঁচা কথাৰ উল্লেখ কৰা হ'ল। ৱাৰ্দ্ধাৰ সৱৰমতি আশ্ৰমত গান্ধীজীয়ে ল'ৰা-ছোৱালীক পঢ়ুৱাওঁতে গান্ধীজীক ল'ৰা এজনে বৰ ভয় কৰিছিল। ল'ৰাটোৱে ভয়তে একো শিকিব নোৱাৰে। মহাত্মাজীয়ে কথাটো বুজিব পাৰিলে। হিংসাৰ প্ৰকাশ পোৱা বুলি গান্ধীজীয়ে অনুধাৱন কৰিব পাৰিলে আৰু উপবাস দি শৰীৰ-মনত শান্তি আৰু কৰুণাৰ ভাব জাগ্ৰত কৰি ল'লে। পাচত মৰম আৰু অহিংসাৰে ল'ৰাটোক শিক্ষা দিব ধৰাত ল'ৰাজনে বিনাদ্বিধাই শিক্ষাগ্ৰহণ কৰিব ধৰিলে।

ইয়াৰদ্বাৰা গান্ধীজীয়ে এক ডাঙৰ সিদ্ধান্তলৈ আহিলে যে, শিক্ষাদান ক্ষেত্ৰত শিক্ষক মৰমিয়াল আৰু অহিংসক হ'ব লাগিব। ল'ৰা-ছোৱালীক চেকনীৰে কোবাই শিক্ষা দিব খোজাটো মাৰাত্মক ভুল। শিক্ষাদান কাম এটি দীঘলীয়া আৰু একেধাৰে লাগি থকা প্ৰক্ৰিয়া। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰেম-প্ৰীতি থাকিব লাগিব। শিক্ষকসকল জীৱন্ত কিতাপস্বৰূপ হ'ব লাগিব। সকলো কথা, সকলো বিষয়ৰে জ্ঞান শিক্ষকসকলৰ থাকিব লাগিব। সেয়ে বুনিয়াদী শিক্ষা এনে এটি শিক্ষা পদ্ধতি, যিয়ে শিক্ষাৰ ক্ষেত্ৰত অহিংসাৰ ক্ৰান্তিকাৰী বাতাৱৰণ সৃষ্টি কৰিব পাৰে। ❖❖❖

---

# তামিল কবিতা

"মানৱ জীৱন লাভ কৰা অতিকে দুৰ্লভ
তাতোকৈ দুৰ্লভ নিঘূণীয়া হৈ জন্ম পোৱা
নিঘূণীয়া হৈ জন্ম পালাই যেনিবা
জ্ঞান আৰু শিক্ষা লাভে তেনেই কঠিন
কোনোবা এজনে শিক্ষা আৰু জ্ঞানাৰ্জন কৰিলেই বা
তেতিয়াও তপ আৰু প্ৰাৰ্থনা কৰা সহজ নহয়
যিজনে তপ আৰু পূজা পাঠ কৰে
ঠিক জানিবা
তেওঁৰ বাবে সৰগৰ দুৱাৰ
প্ৰত্যহ খোলা থাকে।"

—অৱয়াৰ

সংগ্ৰাহিকা ঃ শ্ৰীহৰ্ম্য হাজৰিকা
স্নাতক তৃতীয় বৰ্ষ

# স্কাউট-গাইড শিক্ষাৰ প্ৰয়োজনীয়তা ঃ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ইয়াৰ অৱলোকন

বিজয়া ডেকা
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

মানুহ অনুসন্ধিৎসু প্ৰাণী। যাৰ বাবে মানুহে নিজৰ চিন্তা, চেতনা, জ্ঞান আৰু সাধনাৰ জৰিয়তে নানান দিশত নানান ধৰণে প্ৰগতি তথা পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে। নতুন নতুন গৱেষণাৰে মানৱ জাতিক মহীয়ান কৰি তুলিছে। এক কথাত বৰ্তমান যুগটো হৈছে 'বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ।' প্ৰযুক্তিৰদ্বাৰা মানুহে প্ৰগতিৰ শিখৰত বগাইছে যদিও সমাজত নানান অশান্তি, অৰাজকতাই বিৰাজ কৰিয়ে আছে। দিনে দিনে সমাজত বাঢ়ি অহা হিংসা, অসূয়া, সন্ত্ৰাসবাদীৰ পাশৱিক অত্যাচাৰ, ধৰ্ষণ, লুণ্ঠন, প্ৰৱঞ্চনা, ডাইনী হত্যাহ, সাম্প্ৰদায়িক বৈষম্য আদিয়ে জনসাধাৰণৰ জীৱন অস্থিৰ কৰি তুলিছে। সহজ কথাত ক'বলৈ হ'লে মানুহৰ সকলো দিশৰ চৰিত্ৰৰ স্খলন ঘটাইছে। দৈহিক প্ৰয়োজনমুখী, ব্যক্তিকেন্দ্ৰিক শিক্ষানীতি আৰু পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ মন আৰু ধ্যান-ধাৰণা যন্ত্ৰচালিত বিধৰ কৰি তুলি আধ্যাত্মিকতাৰপৰা আঁতৰাই আনিছে। টি.ভি., চি. ডি., মোবাইল ফোন আদিৰ অপব্যৱহাৰে বহু কিশোৰ-কিশোৰী তথা ছাত্ৰ-ছাত্ৰীক উচ্ছৃংখল জীৱন যাপন কৰাত অৰিহণা যোগাইছে। প্ৰতিযোগিতামুখী চিন্তা আৰু ভোগবিলাসী সমাজ জীৱনে ছাত্ৰ-ছাত্ৰীৰ মনত 'মূল্যবোধ'ৰ শিক্ষা একপ্ৰকাৰ নোহোৱা কৰিছে। যাৰ ফলত দেখা যায় পৰীক্ষাত ভাল নম্বৰ পোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে চাকৰি-বাকৰি কৰি ব্যক্তিস্বাৰ্থৰ মোহত পৰি খোদ ঘোচখোৰ বিষয়ালৈ পৰিণত হৈছে। আনকি নিজৰ পিতৃ-মাতৃ, ভাই-ভনীকো চিনি নোপোৱা হয়। আনকি আনৰ অনিষ্টসাধন কৰি হ'লেও নিজৰ লক্ষ্যত উপনীত হোৱাত অকণো কুণ্ঠাবোধ নকৰে। এনে এক পৰিস্থিতিত 'মূল্যবোধ' শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়াটো অতীব প্ৰয়োজন হৈ পৰিছে।

সমাজ সদায় গতিশীল আৰু পৰিৱৰ্তনশীল। গতিকে গতিশীল সমাজৰ সামাজিক পৰিৱৰ্তন, জ্ঞানৰ প্ৰসাৰ, ব্যক্তি আৰু সমাজৰ প্ৰয়োজন সাপেক্ষে মূল্যবোধৰ অৰ্থও সময়ে সময়ে সলনি হৈ থাকে।

সাধাৰণতে যিবিলাক চাৰিত্ৰিক বৈশিষ্ট্যৰ অৱস্থিতিয়ে এজন ব্যক্তিক প্ৰয়োজনীয় আদৰণীয় আৰু সন্মানীয় কৰি তোলে, সেইবিলাক বৈশিষ্ট্যকে মূল্যবোধ বুলি কোৱা হয়। এইবোৰ মূল্য মানুহে নিজৰ জীৱনত আহৰণ কৰি লোৱা গুণ। যিবিলাক গুণ ভাল, প্ৰয়োজনীয়, তাৎপৰ্যপূৰ্ণ আৰু মূল্যৱান বুলি ধৰা হয়, সেইবিলাক গুণ আহৰণ কৰোৱাবলৈ চলোৱা প্ৰচেষ্টাকে মূল্যবোধৰ শিক্ষা বোলে। প্ৰতিটো শিশুৱে পৰিয়াল, বিদ্যালয় আৰু নানান সামাজিক পৰিৱেশত জীৱনৰ বাবে লাগতিয়াল মূল্য আহৰণ কৰে। সময় বিশেষে প্ৰতিখন সমাজতে মূল্যৰ ধাৰণা সলনি হৈ থাকিলেও সত্য, নিষ্ঠা, অহিংসা, মৈত্ৰী, প্ৰেম, কৰুণা, সেৱা, ত্যাগ আদি গুণক বিশ্বজনীন আৰু সাৰ্বজনীন বুলি গ্ৰহণ কৰা হয়। এই সাৰ্বজনীন গুণসমূহ শিশুৰ মনত জাগৰিত কৰাবলৈ শিক্ষানুষ্ঠানসমূহে নানান আঁচনি, আৰ্হি তৈয়াৰ কৰিব পাৰে। এই আঁচনিসমূহৰ জৰিয়তে শিশুসকলক নিজৰ কৰ্তব্য, নিষ্ঠাসহকাৰে পালন কৰি নিজৰ, দহৰ, সমাজৰ তথা দেশৰ অগ্ৰগতিত বৰঙণি যোগাবলৈ উদ্বুদ্ধ কৰিব পাৰে। উল্লেখনীয় যে, এখন দেশত বাস কৰা মানুহৰ দক্ষতা, বুদ্ধি, প্ৰেৰণা, ৰুচি-অভিৰুচি, মনোভাব, মূল্যবোধ আদিৰ ওপৰতে দেশখনৰ প্ৰগতি নিৰ্ভৰ কৰে। এইবোৰ গুণ বিকাশৰ বাবে প্ৰয়োজন উপযুক্ত শিক্ষাৰ। উপযুক্ত শিক্ষা ব্যৱস্থাইহে মানুহক ধ্যান-ধাৰণা, চিন্তা, যুক্তি আদিৰ বিকাশ সাধন কৰিব পাৰে। বিকাশ কৰিব পাৰে দেশখনৰ বিভিন্ন শিল্প, কৃষি, ধৰ্ম-সংস্কৃতি, শিক্ষা-সভ্যতা, পৰম্পৰা আৰু ঐতিহ্যৰ। এইবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই শিক্ষা বিভাগৰ নাম সলনি কৰি চৰকাৰে 'মানৱ সম্পদ উন্নয়ন বিভাগ' বুলি নামকৰণ কৰিছে। উপযুক্ত মানৱ সম্পদ তেতিয়াহে হ'ব, যেতিয়া মূল্যবোধৰ শিক্ষা উপলব্ধ হ'ব। দেশত সু-নাগৰিকৰ অভাৱ নহ'ব। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহত লোৱা নানান শিক্ষা আঁচনিৰ ভিতৰত স্কাউট গাইড শিক্ষাও বিশেষভাৱে উল্লেখনীয়। স্কাউট-গাইডৰ শিক্ষা আঁচনিত নীতি-নিয়ম, প্ৰতিজ্ঞা, উদ্দেশ্য, পদ্ধতি, কাৰ্যক্ৰম, দেশপ্ৰেমমূলক গীত পৰিৱেশন, কুচকাৱাজ, সৰ্বধৰ্ম প্ৰাৰ্থনা, পতাকা উত্তোলন, শিবিৰত অংশগ্ৰহণ আদিৰ ব্যৱস্থা

আছে। এইবোৰৰ মাজেৰে লাভ কৰা শিক্ষাই তেওঁলোকক সৎ চৰিত্ৰৱান, সু-স্বাস্থ্যৱান, দেশপ্ৰেম, সমাজ সচেতনতা জ্ঞানেৰে উদ্বুদ্ধ একোগৰাকী দায়িত্বশীল নাগৰিক হোৱাত সহায় কৰে। বিশ্ব ভাতৃত্ববোধ ভাবেৰে আৰু মানৱীয় দৃষ্টিভংগীৰে আগবঢ়াত সহায় কৰে। এক কথাত এইবোৰে স্কাউট-গাইডসকলক সুস্থ মানসিক স্বাস্থ্যৰ অধিকাৰী হোৱাত সহায় কৰে। যিয়ে সমাজৰ সকলো পৰিৱেশতে সমাযোজন কৰিব পাৰে, আনক শ্ৰদ্ধা কৰিব পাৰে আৰু আনৰ বাবে ত্যাগ কৰিব পাৰে।

এনেবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই অসম চৰকাৰৰ চিঠি নং- B (3)s, 162/97/190 dt. of 7/1/02 by Education Department of Assam, Direct Letter Education Eg/Misc/23/2581/19 Kahilipara, 2nd May, 02 Seva Circular No. SEBA/AB/PE/4/2003/82/dated 4th February, 03 অনুসৰি সকলো বিদ্যালয় তথা মহাবিদ্যালয়ত স্কাউট-গাইড সংগঠন খোলাটো বাধ্যতামূলক কৰিছে।

অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি আমাৰ মহাবিদ্যালয়তো (জৱাহৰলাল নেহৰু কলেজ, বকো) গঠিত হোৱা 'অমৃতপ্ৰভা ৰেঞ্জাৰ টিমে' ইতিমধ্যে দশম বছৰত (গঠন ২১/০১/০৩ আৰু ৰেঞ্জাৰ লিডাৰ বিজয়া ডেকা, শিক্ষা বিভাগ) ভৰি দিছে। জন্মলগ্নৰেপৰা ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবেলি এই সংগঠনটিয়ে 'নৱম দীক্ষা গ্ৰহণ' অনুষ্ঠানৰ ফালে আগবাঢ়িছে। বিগত বছৰকেইটাত ৰেঞ্জাৰ দলৰ সদস্যসকলে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে পাঠ্যক্ৰমৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈও সমৰ্থ হৈছে। ইতিমধ্যে ৰেঞ্জাৰ টিমৰ দুটি টিমে নিপুণ পৰীক্ষাত উত্তীৰ্ণ হৈছে। ইয়াৰ ভিতৰত প্ৰথম দলটিত দহগৰাকী আৰু দ্বিতীয় দলটিত পাঁচগৰাকী ৰেঞ্জাৰ আছে। উল্লেখযোগ্য যে, নিপুণ পৰীক্ষাত উত্তীৰ্ণ হোৱা সাতগৰাকী ৰেঞ্জাৰে ৰাষ্ট্ৰপতি ব্যাজ আৰু প্ৰমাণপত্ৰ পাবৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ইয়াৰ উপৰিও অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ সদস্যসকলে বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ জৰিয়তে সংগঠনৰ ভিতৰ আৰু বাহিৰত নানান ধৰণে সেৱা আগবঢ়াই আহিছে। বিগত ২০০৯-১০, ২০১০-১১, ২০১১-১২ বৰ্ষ তিনিটাত অংশগ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ চমু খটিয়ান তলত দাঙি ধৰা হ'ল—

১। 5/6/09– বিশ্ব পৰিৱেশ দিৱস পালন, মহাবিদ্যালয় প্ৰাংগণ।

২। 14/7/09– স্থানীয় দহখন স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত ৰাজহুৱা সম্পত্তি সংৰক্ষণৰ সজাগতা সভা, সাক্ষৰতা সজাগতা সভা, জনসংখ্যা শিক্ষা সজাগতা সভাৰ আয়োজন।
স্থান ঃ বকো কনিষ্ঠ মহাবিদ্যালয়, বকো।

৩। 5/9/09– শিক্ষক দিৱস পালন, মহাবিদ্যালয়ৰ সৌজন্যত।

৪। 7/11/09– ভাৰত স্কাউট-গাইড দিৱস পালন।

৫। 25/11/09– বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত সেৱা দান, মহাবিদ্যালয়ৰ সৌজন্যত।

৬। 15 to 19 Nov., 09– 4th State Level Rover/Ranger Nipun Test. (স্থান ঃ চামতা পথাৰ) ১০ গৰাকী ৰেঞ্জাৰ অৱতীৰ্ণ।

৭। 13/2/10 to 17/2/10– 11th State Scout-Guide Rally at Gitanagar High School Fieldত ৰেঞ্জাৰ লিডাৰসহ ৭ গৰাকী ৰেঞ্জাৰৰ সেৱা দান কৰি ভূয়সী প্ৰশংসা লাভ।

৮। 4th to 6th July, 2010– দক্ষিণ কামৰূপ ভাৰত স্কাউট-গাইড এছোচিয়েচনৰদ্বাৰা আয়োজিত গ্ৰীষ্মকালীন শিবিৰত ১৫ গৰাকী ৰেঞ্জাৰৰ অংশগ্ৰহণ।
স্থান ঃ বকো হাইস্কুল, বকো।

৯। 14/11/2010– জিলা প্ৰশাসনৰদ্বাৰা আয়োজিত শিশু দিৱসত পাঁচগৰাকী ৰেঞ্জাৰৰ অংশগ্ৰহণ।
স্থান ঃ আমিনগাঁও ষ্টেডিয়াম।

১০। 5/9/10– মহাবিদ্যালয়ত শিক্ষক দিৱস পালন।

১১। 29/10/10 to 2/11/10– State Level Rover/Ranger Meet 2010ত ৰেঞ্জাৰ লিডাৰসহ ছয়গৰাকী ৰেঞ্জাৰৰ অংশগ্ৰহণ। বিভিন্ন বিভাগত মুঠ ১১টা পুৰস্কাৰ লাভ। মিছ্ জ্যোতিপ্ৰভা অধিকাৰীৰ শ্ৰেষ্ঠ ৰেঞ্জাৰৰ বঁটা লাভ।

১২। 14/12/10– মহাবিদ্যালয় সপ্তাহত প্ৰথমবাৰৰ বাবে ৰেঞ্জাৰসকলৰদ্বাৰা মাৰ্চ পাষ্ট প্ৰদৰ্শন।

১৩। 7/2/11– যোগগুৰু ৰামদেৱৰ 'স্বাভিমান যাত্ৰা'ত ৰেঞ্জাৰ লিডাৰসহ ছয়গৰাকী ৰেঞ্জাৰৰ সেৱা দান।
স্থান ঃ গান্ধী ময়দান, বকো।

১৪। 3rd July to 5th July, 2011– দক্ষিণ কামৰূপ ভাৰত স্কাউট-গাইড এছোচিয়েচনৰদ্বাৰা আয়োজিত গ্ৰীষ্মকালীন শিবিৰত ৰেঞ্জাৰ লিডাৰসহ পোন্ধৰগৰাকী ৰেঞ্জাৰৰ অংশগ্ৰহণ।
স্থান ঃ বকো ছোৱালী হাইস্কুল, বকো।

১৫। 3/7/11– উপ-ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰতিযোগিতাৰ শুভাৰম্ভ। উদ্বোধক ঃ অম্বিকা প্ৰসাদ শৰ্মা। সচিব, কামৰূপ জিলা, ভাৰত স্কাউট-গাইড, অসম।

১৬। 7/7/11– সংগ্ৰামী নাৰীমুক্তি সংঘ, অসমৰদ্বাৰা আয়োজিত ডাইনী হত্যা সজাগতা সভাত অংশগ্ৰহণ।
স্থান ঃ বকো হাইস্কুল প্ৰাংগণ।

১৭। 10/8/11– স্বাধীনতা দিৱস উপলক্ষে Shikhali Regimentৰ আৰ্মিৰদ্বাৰা আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ। ৰেঞ্জাৰসকলৰদ্বাৰা দেশপ্ৰেমমূলক গীত পৰিৱেশন।
স্থান ঃ জে. এন. কলেজ, বকো।

১৮। 15/8/11– স্থানীয় প্ৰশাসনৰদ্বাৰা আয়োজিত স্বাধীনতা দিৱসত কুচকাৱাজ প্ৰদৰ্শন।
স্থান ঃ গান্ধী ময়দান, বকো।

১৯। 30th Oct. to 3rd Nov. 2011– 5th State Level Nipun Testing Camp ত পাঁচগৰাকী ৰেঞ্জাৰ অৱতীৰ্ণ।

২০। 9/11/11– ৫ নৱেম্বৰ, ২০১১ তাৰিখে বিশ্বৰত্ন, সুধাকণ্ঠ, বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাই ইহলীলা সম্বৰণ কৰে মুম্বাইৰ কোকিলাবেন হাস্পতালত। ৭ নৱেম্বৰত সুধাকণ্ঠৰ নশ্বৰ দেহ অসমলৈ আনে। জনসাধাৰণৰ দৰ্শনৰ বাবে সুধাকণ্ঠৰ নশ্বৰ দেহৰ কফিনত জৰ্জ খেলপথাৰত ৰখা হয়। উক্ত স্থানত বিভিন্ন মহাবিদ্যালয়ৰ ৰ'ভাৰ/ৰেঞ্জাৰ তথা লিডাৰসকলে সেৱা আগবঢ়ায়। আমি সেই সেৱাত অংশগ্ৰহণ কৰাৰ বিৰল সুযোগ লাভ কৰোঁ। (ফটো সংলগ্ন কৰা হৈছে।)

২১। 22/2/12– Thinking Day পালন। গোৱালপাৰা কলেজৰ ৰেঞ্জাৰ লিডাৰসহ পাঁচগৰাকী ৰেঞ্জাৰে অংশগ্ৰহণ কৰে।

২২। 17/4/12 to 19/4/12– বকো শততম 'সুঁৱৰী মহোৎসৱ'ত পোন্ধৰগৰাকী ৰেঞ্জাৰৰ অংশগ্ৰহণ। প্ৰদৰ্শনী, সাংস্কৃতিক শোভাযাত্ৰা আদিত অংশগ্ৰহণ।

২৩। 3/7/12 to 5/7/12– দক্ষিণ কামৰূপ স্কাউট-গাইড এছোচিয়েচনৰদ্বাৰা আয়োজিত Summer Meet Campত পোন্ধৰগৰাকী ৰেঞ্জাৰৰ অংশগ্ৰহণ।
স্থান ঃ শিংৰা হাইস্কুল।

২৪। 15/8/12– স্থানীয় প্ৰশাসনৰদ্বাৰা আয়োজিত স্বাধীনতা দিৱসত কুচকাৱাজত অংশগ্ৰহণ। যুটীয়াভাৱে দ্বিতীয় স্থান লাভ।

২৫। 25/8/12– মহাবিদ্যালয়ৰ ২০১২-১৩ বৰ্ষৰ নৱাগত আদৰণী সভা উপলক্ষে আয়োজিত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত অংশগ্ৰহণ। অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ প্ৰাচীৰ পত্ৰিকা 'Mirror' যুটীয়াভাৱে দ্বিতীয় স্থান।

২৬। 12/9/12 স্কাউট গাইড Orientation Campত অংশগ্ৰহণ। (পাঁচগৰাকী ৰেঞ্জাৰসহ ৰেঞ্জাৰ লিডাৰ)।
স্থান ঃ বিমলাপ্ৰসাদ মহাবিদ্যালয়, নগৰবেৰা।

২৭। 12/6/12– উপ-ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰতিযোগিতাৰ Report ভাৰত স্কাউট-গাইড, অসমৰ মুখ্য কাৰ্যালয় পাণবজাৰত জমা দিয়া হয়।
উপ-ৰাষ্ট্ৰপতি পুৰস্কাৰৰ বাবে সম্পন্ন কৰিবলগীয়া বছৰজোৰা কাৰ্যসূচী এনে ধৰণৰ—

**CATEGORY-I SELF DEVELOPMENT :**

(i) Observance and Application of Scout/Guide Promise and Law.
(ii) Attainment of next higher stage in the scheme of advancement.
(iii) Active participation in Crew/Team programme.

**CATEGORY-II**

**GROUP :**

(A) Organising games (at Boko Girls' High School).
(B) Assistance in a Troop/Company Camp for 3 days.
(C) Assistance in a Rally/Camporee.

**CATEGORY-III**

**GROUP :**

(A) Community Development Programme
(a) Hobby Centre (at Jarapara Krishna Mandir)
(B) Campaign for Saving Drinking Water (at Jarapara Village).
(C) Campaign for National Intigration.
(D) Motivation Programme for Family Welfare (at Jarapara, Boko).
(E) Organising Science Quize (Boko Girls' High School, Boko).
(F) Render Sustained Service for 60 hours Spread over the year in a religious place.
(Rendered service at Jamuneswar Shibalay, Nagopara, Boko)

আমি আশাকৰোঁ অনাগত দিনবোৰতো ৰেঞ্জাৰসকলে পাঠ্যক্ৰমৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ব। নিজৰ লগতে সমাজৰ উন্নতিৰ বাবে কাম কৰি যাব। কঠোৰ পৰিশ্ৰম কৰি ৰাষ্ট্ৰপতি ব্যাজ পাবলৈ আগবাঢ়ি যাব আৰু সু-নাগৰিক হৈ মহাবিদ্যালয়লৈ সন্মান বুটলি আনিব।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
জয়তু অমৃতপ্ৰভা ৰেঞ্জাৰ টিম। ❖❖❖



# ড° ভূপেন হাজৰিকাৰ গীত ঃ বিশ্বজনীন মানৱতাৰে যাৰ অনুভৱ দীপ্তমান

**ড° প্ৰাণেশ্বৰ নাথ**

সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

*"If man wouldn't think for man*
*with a little sympathy*
*Tell me who will- comrade?*
*If man does not become man*
*A demon never will*
*If a demon turns more human*
*Whom shall it shame more- comrade?"*

ভূপেন হাজৰিকা— এটি মুকুতা মধুসৰা নাম। এটা সনাতন গান। এটা কৰুণা ভৰা কবিতা। এক অনাদি আৱেগ, নে অনন্ত অনুভূতি? ব্যক্তি হৈয়ো তেওঁ সমষ্টি। বস্তুতঃ ভূপেন হাজৰিকা হ'ল বৰ্তমান সময়ৰ অন্যতম শ্ৰেষ্ঠ মানৱতাবাদী পুৰুষ, কিংবদন্তি পুৰুষ। বিগত শতিকাৰ অসমৰ বহুমুখী প্ৰতিভাধৰ ব্যক্তি সমুদায়ৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় ব্যক্তি— ড° ভূপেন হাজৰিকা। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰৰপৰা ২০১১ চনৰ ৫ নৱেম্বৰলৈ ভূপেন হাজৰিকাৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমা। এই সময়ছোৱাত সাহিত্য-কলা-সংস্কৃতিৰ নিৰলস সাধনাৰে অসম মুলুকক এইগৰাকী খ্যাতিমন্ত কৃতবিদ্য সন্তানে যুগ যুগলৈ ধন্য কৰি থৈ গ'ল।

হৃদয়ৰপৰা গীত ৰচি, অন্তৰৰ সুৰেৰে তিয়াই, কণ্ঠক বাহনৰূপে লৈ মানৱতাবাদী শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰাৰ প্ৰচেষ্টাৰে আজীৱন কটোৱা এজন 'সাংস্কৃতিক বনুৱা বা ৰণুৱা' বুলি নিজকে অভিহিত কৰা এইজন শিল্পীৰ জীয়াই থাকি এখন মানুহৰ সমাজ গঢ়িবলৈ বৰ হেঁপাহ আছিল— প্ৰেম আৰু সম্প্ৰীতিৰে পৰিপূৰ্ণ সেইখন মানৱ সমাজত মানুহৰ দাম সোণতকৈ অলপ হ'লেও বেছি থাকিব লাগিব।

ভূপেন হাজৰিকাই ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ভগৱান শ্ৰীকৃষ্ণৰ দৰে মানৱতাক উৰ্ধ্বত তুলি ধৰাৰ স্বাৰ্থতেই অমানুহ-দানৱক পৰাভূত কৰিবলৈ জনতাক প্ৰবুদ্ধ কৰিছে—

*"(শুন) বুভুক্ষু শিশুৰে আৰ্তনাদ*
*(সেয়ে) তিল্‌তিল্ মৃত্যুৰ আনে সংবাদ*
*সেই সংবাদ শুনিও বধিৰ কিয়*
*তই নকৰিবি কিয় তোমাৰ শেষ প্ৰতিবাদ?*
*সংগ্ৰাম আন এটি নাম জীৱনৰ*
*ইতিহাসে চিএৰে জয় জনতাৰে*
*ত্ৰাস এৰি দানৱক বধোঁগৈ আহ।"*

অসমৰত্ন সুধাকণ্ঠগৰাকীৰ গীতত অন্তৰ্নিহিত বিশ্বজনীন প্ৰেম-শান্তি-ভাতৃত্ববোধৰ মহান আদৰ্শই অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতিৰ বান্ধোনক সুদৃঢ় কৰিব আৰু আমাৰ ৰাজ্যখনক শান্তি-সংহতি-সমৃদ্ধিৰ পথত আগবঢ়াই নিয়াত অৰিহণা যোগাব।

গীতি-সাহিত্যৰে একো একোটি ঘটনা, একো একোটি মুহূৰ্ত ছবি আকাৰে চিৰযুগমীয়া কৰিব খোজা আৰু গীতক সমাজ পৰিবৰ্তনৰ অস্ত্ৰৰূপেও ব্যৱহাৰ কৰা অসম তথা ভাৰতৰ সংগীত আকাশৰ সূৰ্য, জীৱন্ত কিংবদন্তি, স্বনামধন্য অসমৰত্ন ড° ভূপেন হাজৰিকা মূলতঃ মানৱ দৰদী এগৰাকী বিশ্ববৰেণ্য যুগজয়ী বিশ্বশিল্পী। তেওঁৰ গীতত যিদৰে অসম তথা ভাৰতীয় সাতামপুৰুষীয়া সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু দলিত-আৰ্তজনৰ মৰ্মবেদনা প্ৰকাশ পাইছে, তদ্ৰূপ তেওঁৰ গীতত অসমীয়া জাতিসত্তাৰ স্বৰূপ প্ৰকাশ, জাতীয় চেতনা, জাতীয় প্ৰেম, ভাৰত উপমহাদেশৰ প্ৰতি থকা ৰাষ্ট্ৰীয় চেতনা আৰু স্বদেশপ্ৰেম আৰু বিশ্বজনীন মানৱপ্ৰেমৰ অন্তঃসলিলা ফল্গুধাৰা নিৰৱচ্ছিন্নভাৱে প্ৰবাহিত হৈছে। তেওঁৰ

শিল্পীসত্তা আৰু ব্যক্তিসত্তাৰ সাৰ্বিক বিকাশ, প্ৰতিষ্ঠা আৰু উত্তৰণৰ মূলতেই আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু বেজবৰুৱাৰ সাংস্কৃতিক পৰিমণ্ডল আৰু আদৰ্শত নিমজ্জিত হোৱাৰ সুযোগ সন্ধান, শৈশৱ-কৈশোৰতে পোৱা জ্যোতি-বিষ্ণুৰ সান্নিধ্য আৰু পৰৱৰ্তীকালত পল ৰবচন, মাইকেল এঞ্জেলো, ভিনচেণ্ট ভেনগঘ, লিঅ'নাৰ্ডো ডা ভিঞ্চি, চালভাডৰ ডালি, পিকাচো আদি বিশ্ববিখ্যাত আন্তৰ্জাতিক শিল্পীসকলৰ সান্নিধ্য বা আত্মিক প্ৰভাৱ।

যুগে যুগে, যুগ যুগৰেপৰা পৃথিৱীৰ বিভিন্ন দেশ ইৰাক, ইৰাণ, মধ্যপ্ৰাচ্য, এছিয়া মাইনৰ, ভূমধ্যসাগৰীয় অঞ্চল, ফিলিপাইনছ আদিৰপৰা খাদ্য, আশ্ৰয় আৰু ভাগ্যান্বেষণৰ তাড়নাত প্ৰব্ৰজিত হোৱা বিভিন্ন নৃ-গোষ্ঠী আৰু সম্প্ৰদায়ে ছহেজাৰ বছৰীয়া ভাৰতীয় মহাজাতিৰ সাংস্কৃতিক ঐতিহ্য আৰু সাংস্কৃতিক সমন্বয়ৰ কথা যিদৰে প্ৰকাশ কৰি আহিছে, ঠিক তেনেদৰে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰপৰা আৰু বিদেশৰপৰা অহা হিন্দু, মুছলমান, শিখ, জৈন, মোগল, পাঠান, কিৰাট, দ্ৰাবিড়, অষ্টিক, আৰ্য, মংগোলীয় আদি গোষ্ঠীৰ লোকসকলেও স্বকীয় ভাষা, ধৰ্ম, বৰ্ণ আৰু সাংস্কৃতিক ঐতিহ্য বহন কৰি লৈ আহি অনৈক্যৰ মাজতে ঐক্যৰ মহান উদাৰ সংমিশ্ৰিত অসমীয়া জাতি গঠন কৰাৰ কথা ড° হাজৰিকাদেৱে তেওঁৰ গীতেৰে, কণ্ঠেৰে প্ৰকাশ কৰিছে—

*'সুদূৰ কাণ্যকুব্জৰেপৰা বাৰভূঞা আহিছিলে,*
*সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে,*
*মক্কৰ দেশৰে আজান ফকীৰে মধুৰ জিকিৰ ৰচিলে,*
*দিল্লীৰ দিলোৱাৰে আহি হস্তী পুথি আঁকিলে।'*

ভিন্ন ভাষা, নানা জাতি-ধৰ্ম-বৰ্ণ সম্প্ৰদায়েৰে গঠিত আৰু অনৈক্যৰ মাজত ঐক্য বিৰাজ কৰা মহামিলনৰ তীৰ্থভূমি, পাহাৰ-পৰ্বত, হাবি-জংঘল, পথাৰ-সমাৰৰ অপৰূপ শ্যামলিমাৰে আকীৰ্ণ অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু সুৰমা উপত্যকাৰ দুয়োপাৰে বসবাস কৰা অগণন মানুহৰ হৃদয়ৰ আৱেগ-অনুভূতি, দুখ-বেদনা, হা-হুতাশা, পোৱা-নোপোৱা, সুখ-দুখ, বিৰহ-বেদনা, নিপীড়ন-লাঞ্ছনাৰ ইতিহাস ড° হাজৰিকাদেৱে গীতেৰে-কণ্ঠেৰে নিগৰাই আকাশ-বতাহ কঁপাই আহিছে—

*'দুয়োপাৰে কত মানুহ, কত যে ইতিহাস।*
*কত যুগৰ কত আশা, নিৰাশাৰে নিশ্বাস।'*

সুদূৰ অতীতৰেপৰা দুৰ্বলীৰ ওপৰত বলীৰ শোষণ চলিয়েই আহিছে। মানৱ সমাজত দুটাই শ্ৰেণী— শোষক আৰু শোষিত। কাৰ্লমাৰ্ক্সেও কৈছিল— "By organising and directing the struggle of working class against the capitalist and their associates and by interlinking with his struggle in certain quite possible ways the struggle of poor peasents and tenant... farmers against the landlord... and change the system."

এই অনুভৱ যেন হাজৰিকাৰ হৃদয়তো প্ৰচণ্ড শক্তি হৈ জাগি উঠিল। সেয়ে তেওঁ গালে—

'ভাঙ্
ভাঙ্ শিল ভাঙ্
ভাঙ্ ভাঙ্ ভাঙ্ শিল ভাঙোতা
তোৰ ঘাম ভৰা নঙঠা পিঠি তপত
ৰ'দত যায় ফাটি।
কোমল ভৰিৰ তলুৱাত জ্বলে তাতে ৰঙা ৰঙা মাটি
তথাপিও তোৰ নাই গুণ গাওঁতা
তপত ৰঙা ৰঙা মাটি....'

সামন্তযুগীয় শোষণ-নিপীড়নৰ ছবিখনো ড° হাজৰিকাই বৰ সুন্দৰকৈ মূৰ্ত কৰি তুলিছে—

'দোলা, হে দোলা, হে দোলা
একা-বেঁকা বাটেৰে কঢ়িয়াওঁ কঢ়িয়াওঁ
বৰ বৰ মানুহৰ দোলা।'

পৃথিৱীৰ প্ৰান্তে প্ৰান্তে শোষণৰ একেই ছবি। আফ্ৰিকাৰ ক্ৰীতদাসসকলৰ মাজতো সেই একেই যন্ত্ৰণা। সেয়ে তেওঁলোকৰ গানৰ ভাষাও একে—

"Niggers all work on the Mississipi
Niggers all work de (the)
white folk play."

হাজৰিকাই সেয়ে লিখিছে—

'ঘনে ঘনে দেখিছোঁ
লৰচৰ কৰিছে
শুকুলা চোঁৰৰৰ আগ
মোৰহে ল'ৰাটিক এইবাৰ বিহুতে
নিদিলোঁ সূতাৰে চোলা।'

কিন্তু কেতিয়াবা ক্ষোভিত গীতিকাৰগৰাকী দুৰ্বিনীতি হৈ পৰিছে। সেয়ে নিজৰ প্ৰাপ্য ঘূৰাই আনিবলৈ প্ৰয়োজনত ৰাৱণবধৰ কথাও চিন্তা কৰিছে। যিদৰে বিশাল মহীৰূহৰ দৰে স্থিতপ্ৰজ্ঞ পল ৰবচনেও গাইছিল—

"But I keep laughing
instead of crying

I will keep on fighting
untill I am dying."

বিবেক আৰু অনুভূতিক উপলব্ধিৰ মাজেৰে তেওঁ সামাজিক সাম্য প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। সেয়ে তেওঁৰ কলমেৰে ওলাই আহিছিল—

'মানুহে মানুহক বেচিব খুজি
মানুহে মানুহক কিনিব খুজি
পুৰণি ইতিহাস দোহাৰিলে
ভুল জানো নহ'ব কোৱা, সমনীয়া?'

সামাজিক মূল্যবোধৰ অৱক্ষয়, নৈতিকতাৰ স্খলন, মানৱীয় বিচাৰ-বিবেচনাৰ বিলুপ্তি ৰোধ কৰি সৰ্বহাৰাক সম্মিলিত বাহিনীৰে এখন সমাজতান্ত্ৰিক সমাজ গঢ়িবলৈ মুমূৰ্ষু মানৱক আত্মিক শক্তি আৰু বাস্তৱ জ্ঞান প্ৰদান কৰিবলৈ প্ৰকৃতিৰ পাহাৰ-পৰ্বত, নদ-নদীক শিল্পীগৰাকীয়ে উদাত্ত আহ্বান জনাইছে—

'নৈতিকতাৰ স্খলন দেখিও
মানৱতাৰ পতন দেখিও
নিৰ্লজ্জ অলসভাৱে বোৱা কিয়?'

সেয়ে চিৰ সুন্দৰৰ অভিনৱ সৃষ্টি বিশ্বজগতৰ অমৃতৰ সন্তান সকলো শ্ৰেণীৰ মানুহৰ সাৰ্বিক উন্নতি, সম অধিকাৰ, সম বিতৰণ, কল্যাণ, আৰ্থিক স্বাৱলম্বিতা আৰু প্ৰগতিৰ হকে সত্যক সাৰথি কৰি অনিৰুদ্ধ গতিৰে অনাকাংক্ষিতভাৱে নিৰৱচ্ছিন্নতাৰে আমৃত্যু কণ্ঠ নিগৰাই যোৱাৰ দৃঢ় সংকল্প আৰু সাধনাৰ কথা বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাদেৱে দ্বিধাহীনভাৱে প্ৰকাশি আহিছে।

'সত্যক সাৰথি কৰি
আহে দিন, যায় দিন বিৰামবিহীন
উৰন্ত মনে মোৰ নামানে হেঙাৰ
সুন্দৰ সূৰ্য ধিয়াই
নাচে মন নাচে প্ৰাণ
আকাংক্ষাবিহীন।
জীৱন্ত সুৰে মোৰ তোলে ঝংকাৰ।
গঢ়ি নৱ উৎসৱ গীতিকা গোৱাৰ।'

ড° হাজৰিকাদেৱে নতুন পুৰুষক অগ্নিযুগৰ ফিৰিঙতিস্বৰূপে আগবাঢ়ি আহি নতুন অসম, নতুন ভাৰত তথা এখন সুন্দৰ বিশ্ব গঢ়াৰ উদাত্ত আহ্বান জনাইছে।

'অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম
নৰকংকালৰ অস্ত্ৰ সাজি
শোষণকাৰীক বধিম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম
নতুন ভাৰত গঢ়িম।'

তাহানিতেই তেওঁ 'এৰাবাটৰ সুৰ'ৰ বাবে ৰচা গীতত আশাবাদ প্ৰকাশ কৰিছিল—

'শুৱনিকৈ অসমীৰে একতাৰে সূতাবোৰে
মহৰাতে ল'লেহি পাক।'

সেয়ে আটাইকে আহ্বান কৰিছিল— 'অসম আকাশ পোহৰ হ'ব উৰুলিটি দিয়া।' তেওঁ বহুদিন আগতেই কল্পনা কৰিছিল, অসমীৰ গাঁৱৰ কঠীয়াতলীত গজি উঠা— 'নতুন দিনৰ ধুনীয়া সপোন'....। তালৈকে জাকি মাৰি ওলাই আহিছিল ৰহদৈ-সেউতী-ডালিমীৰ জাক।

মানৱপ্ৰেমত আকণ্ঠ ডুব গৈ থকা ড° হাজৰিকাই নতুন অসম, নতুন ভাৰ, গঢ়িব খুজিছে সম্পূৰ্ণ মানৱতাবাদী দৃষ্টিভংগীৰে—

'হৰিজন, পাহাৰী, হিন্দু-মুছলিমৰ
বড়ো, কোঁচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।'

চেৰাপুঞ্জীৰ উদাৰ মেঘে যিদৰে বাৰিষা ৰূপেৰে আমাৰ লুইতক সাৰটি ধৰে, সেইদৰে নেদেখা এনাজৰীডালেৰে বান্ধি যায় পাহাৰ-ভৈয়াম। ভৈয়ামৰ জনগোষ্ঠীৰ মাজতো তেখেতে সম্প্ৰীতিৰ মধুৰ ঝংকাৰ বিয়পাইছে।

পল ৰবচনৰ "Old men river"ৰ সুৰ প্ৰতিধ্বনিত হৈছে 'বিস্তীৰ্ণ পাৰৰে, অসংখ্য জনৰে হাহাকাৰ শুনিও.... বুঢ়া লুইত তুমি বোৱা কিয়'— এই গীতটিত।

ভূপেন হাজৰিকাই অসম, অসমৰ মানুহ, অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি ওৰে জীৱন দায়িত্ববোধৰ পৰিচয় দিছিল, অসমৰ মানুহক সকলো সময়তে সান্নিধ্য প্ৰদান কৰিছিল। তেওঁৰ অসমৰ প্ৰতি থকা দায়িত্ববোধ যেন ইংৰাজী কবি ৱৰ্ডছৱৰ্থৰ স্কাইলাৰ্ক পখীটিৰ সদৃশ— ৱৰ্ডছৱৰ্থে স্কাইলাৰ্কৰ গতি-প্ৰকৃতি সম্পৰ্কে কৈছে—

"Type of the wise, who sore, but never roam
True to the kindred points of heaven and home."

আকৌ ভূপেন হাজৰিকাৰ লুইত— ব্ৰহ্মপুত্ৰখন আছিল চিৰদিনৰ প্ৰেৰণাৰ প্ৰতীক, সমন্বয়ৰ দাপোণ— 'মহাবাহু ব্ৰহ্মপুত্ৰ,